সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৯ সংখ্যা, ১৭ আঘোণ , ৰবিবাৰ, ১৪২৯ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 49 Date Of Publication -4 December 2022 Rs.10.00/-

## কাছাৰৰ কালাইত ইটা ভাটাত চিমনী খহি ৫ জন শ্ৰমিক নিহত





ৰঙিলী বাৰ্ত্তাসেৱা- কাছাৰৰ কালাইত ইটা ভাটাত চিমনী খহি ৫ জন শ্ৰমিক নিহত হয়। বিস্ফোৰণত আহত হোৱা আবু চুফিয়ান নামৰ শ্ৰমিকজনৰ এছএমচিএইচত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়, লগতে আশ্ৰাফুল ইছলাম নামৰ কিশোৰজনৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। ইয়াৰ লগতে সুনীল পাছোৱান আৰু মেদিনি পাছোৱানক চিকিৎসালয়লৈ নিয়াৰ সময়তে মৃত্যু হয়। মৃত্যু হোৱা আন দুগৰাকী হ'ল চুনীলাল পাছোৱান আৰু মেদিনী পাছোৱান। এওঁলোক দুয়ো পিতা- পুত্ৰ। শুকুৰবাৰে বিয়লি প্ৰায় ৪ বজাত সংঘটিত হয় এই ঘটনা। জানিব পৰা মতে, কালাইন আজমৰা গাঁও নিবাসী আলতাফ হোছেইনৰ মালিকানাধীন ইটাভাতাৰ শ্ৰমিকসকলে কামত নিয়োজিত হৈ থকাৰ সময়তে হঠাতে ইটাভাতাৰ চিমনি ভাগি যায়। ৫ জন শ্ৰমিকৰ মৃত্যু হোৱাৰ উপৰিও ১০ জন শ্ৰমিক গুৰুতৰভাৱে আহত হয়। এই শোকাৱহ দুৰ্ঘটনাৰ খবৰ পাই স্থানীয় ৰাইজে আহত আৰু মৃতকক উদ্ধাৰ কৰি ততাতৈয়াকৈ কালাইন চিকিৎসালয়ত ভৰ্তি কৰায় কালাইন চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত ডাঃ সৌমেন ভৌমিকে জানিবলৈ দিয়া মতে, চিকিৎসালয়খনত কৰ্তব্যৰত চিকিৎসকে প্ৰাথমিক চিকিৎসাৰ অন্তত দুজন লোকক মৃত ঘোষণা

( দুই পৃষ্ঠাত চাওক)

## শীঘ্ৰে অসমত আৰু ১০ হাজাৰ চাকৰি পদৰ বাবে ওলাব বিজ্ঞাপন



ৰঙিলী বাৰ্ত্তাসেৱা- শীঘ্ৰে অসমত আৰু ১০ হাজাৰ চাকৰি পদৰ বাবে ওলাব বিজ্ঞাপন। জানুৱাৰীৰ ১৫ তাৰিখৰ ভিতৰত ওলাব চাকৰিৰ বিজ্ঞাপন। এই কথা প্ৰকাশ কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ শেষ হ'ল ৮০ হাজাৰ নিযুক্তি, বাকী আছে ২০ হাজাৰ পদ। অহা ৩-৪ মাহৰ ভিতৰত শেষ হ'ব ৰ লাখ নিযুক্তি।" আৰু ১০ হাজাৰ পদৰ বাবে নতুনকৈ ফৰেষ্ট বেটেলিয়নকে ধৰি কেইবাটাও বিভাগ গঠন কৰা হ'ব। ইয়াৰ বাবে বৈঠক হ'ব বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে।

## হিন্দুৰ প্ৰতি চূড়ান্ত অশালীন মন্তব্য বদৰুদ্দিন আজমলৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আকৌ হিন্দু- মুছলমানৰ ৰাজনীতিয়ে তোলপাৰ লগাইছে ৰাজ্য। এইআইইউডিএফৰ অধ্যক্ষ বদৰুদ্দিন আজমলে হিন্দুক লৈ কৰা মন্তব্যই ৰাজ্যজুৰি সৃষ্টি কৰিছে বিতৰ্কৰ। কাৰ্যতঃ বিকৃত মানসিকতাৰ পৰিচয় দিয়া আজমলে হিন্দুৰ প্ৰতি চূড়ান্ত অশালীন মন্তব্যই কৰা নহয়, ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীকো ঘৃণনীয় মন্তব্যৰে সাঙুৰি ল'লে। কৰিমগঞ্জত আজমলে কৰা মন্তব্যৰ জৰিয়তে কাৰ্যতঃ হিন্দু সমাজৰ প্ৰতি এআইইউডিএফৰ সভাপতিজনৰ মানসিক দৃষ্টি কি সেয়াও স্পষ্ট হৈ পৰিল। লাভ জেহাদ, জনসংখ্যা

( পাঁচ পৃষ্ঠাত চাওক)

সম্পাদকীয়ঃ

## ৰেগিংৰ বিৰুদ্ধে কঠোৰতা

স্বাগতা বৰুৱা গোস্বামী



বিশ্ববিদ্যালয় এখনত পঢ়া সকলো ল'ৰা-ছোৱালীৰে সৰুৰেপৰা এটা সপোন থাকে। এই সপোন পুৰণৰ বাবে অশেষ শ্ৰম ত্যাগ কৰিব লগা হয়। প্ৰতিজন অভিভাৱকে যেতিয়া নিজৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষাৰ বাবে বিশ্ববিদ্যালয় এখনত থৈ আহে তেতিয়া অভিভাৱক সকলে কলেজৰ হোষ্টেল এটা পালে নিশ্চিন্ত হৈ যায় কাৰণ তাত যে ৱাৰ্ডেন থাকে। কিন্তু ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভয়ংকৰ ৰেগিং কাণ্ডই এই ৱাৰ্ডেনসকলৰ ওপৰত থকা বিশ্বাস যেন নিমিষতে হেৰাই গ'ল। বিশ্ববিদ্যালয়ৰ দৰে এটি পবিত্ৰ অনুস্থানত ৱাৰ্ডেনৰ উপস্থিতিত ৰেগিং ৰ নামত এনেবোৰ কাৰ্যই আমাৰ সমাজখনক আচলতে কোনফালে গতি কৰাইছে বাৰু? ৰেগিং শব্দটো আমি অতীজৰে পৰাই শুনি আহিছো আৰু নিজেও পাইছো। কিন্তু আমাৰ দিনতটো ৰেগিং ৰ এনে পৰ্যায় নাছিল। ৰেগিং আছিল সম্পূৰ্ণৰূপে এটা পশ্চিমীয়া সংস্কৃতি। ইয়াৰ জড়িয়তে প্ৰাক্তন সকলে নবাগত সকলৰ লগত চা-চিনাকি হয়। সময়ৰ সোতত এই ৰেগিঙে ইমানেই চূড়ান্ত পৰ্যায়ত উপনীত হ'ল যে ৰেগিংৰ বলি হৈ আত্মহত্যাৰ দৰে চূড়ান্ত পৰ্যায়ৰ পথো বাচি ল'বলগীয়া হয়। আমাৰ ছাত্ৰ সমাজ আচলতে কোন দিশে বাৰু? কাৰো অন্তৰত দয়া মৰমৰ দৰে শব্দবোৰৰ উপলব্ধি নাইকীয়া হৈ গৈছে নেকি বাৰু? কাৰোবাক কিবা আঘাত হনাৰ আগতে নিজৰ ঘৰৰ পৰিয়ালৰ কথা এবাৰো ভাবিবলৈ মন নাযায়নে বাৰু? এই ছাত্ৰ সমাজেই এটা সময়ত বিনা দিদ্ধাই স্বাধীনতা আন্দোলন, ভাষা আন্দোলন আদিত নেতৃত্ব লৈছিল। গতিকে এই ছাত্ৰ সমাজৰ ওপৰত অতীজৰে পৰা আমাৰ বহু আশা থাকে কিন্তু শেহতীয়াকৈ হোৱা এইধৰণৰ মানসিকতাই গোটেই ছাত্ৰ সমাজকে কলুষিত কৰিলে। প্ৰাপ্ত তথ্য অনুসৰি ২০১৮ চনৰ পৰা ২০২১ চনলৈকে সৰ্বমুঠ ২,৭৯০ টা ৰেগিংৰ গোচৰ পঞ্জীয়ন হৈছে। কিন্তু কিমান গোচৰ পঞ্জীয়ন নোহোৱাকৈ থাকি যায়। কিন্তু কথা হ'ল কি স্বাৰ্থৰ খাতিৰত অভিভাৱক স্বৰূপা এজন ৱাৰ্ডেনৰ উপস্থিতিত ৰেগিং ইমান জঘন্য পৰ্যায় পাইগৈ বাৰু? এই ক্ষেত্ৰত চৰকাৰ অধিক কঠোৰ হোৱাৰ সময় আহি পৰিছে। তাৰোপৰি আমি অভিভাৱক সকলেও আমাৰ ল'ৰা-ছোৱালীক সৰুৰেপৰাই নৈতিক শিক্ষাৰ পাঠ দিয়াতো অতিকৈ প্ৰয়োজন।

# “এক ভাৰত, শ্ৰেষ্ঠ ভাৰত” কাৰ্যক্ৰমৰ সংগতি ৰাখি ৰাজ্যিক বিজেপিৰ উদ্যোগত নাগালেণ্ড দিৱস উদযাপন




ৰঙিলী বাৰ্তাসেৱা- নৰেন্দ্ৰ মোডীৰ আগ্ৰহ অনুসৰি লৌহপুৰুষ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৪০ সংখ্যক জন্মজয়ন্তী উপলক্ষে ১৫ দিনীয়াকৈ সমগ্ৰ দেশজুৰি “এক ভাৰত শ্ৰেষ্ঠ ভাৰত” শীৰ্ষক কাৰ্যক্ৰম আয়োজন কৰা হৈছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ নাগৰিকসকলৰ মাজত একতা আৰু সাংস্কৃতিক মিলনৰ ভাৱনা সৃষ্টিয়েই হৈছে ইয়াৰ মুল উদ্দেশ্য। সেয়ে “এক ভাৰত শ্ৰেষ্ঠ ভাৰত” শীৰ্ষক কাৰ্যক্ৰমৰ মাধ্যমেৰে প্ৰতিখন প্ৰদেশৰ স্থাপনা দিৱসৰ দিনটোত অথবা ইয়াৰ আশে-পাশে অন্য নিৰ্বাচিত প্ৰদেশৰ নাগৰিকৰ মাজত সমন্বয় আৰু মিলনৰ বাৰ্তা প্ৰেৰণ কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিছাপে আজি ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অসম আৰু নাগালেণ্ডৰ প্ৰতিনিধিবৰ্গৰ অংশগ্ৰহণেৰে এক সম্ভাৱনা অনুষ্ঠানৰ আয়োজন হৈ যায়। এই অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতা, বিশিষ্ট শিক্ষাবিদ ডং ননী গোপাল মহন্ত, “এক ভাৰত শ্ৰেষ্ঠ ভাৰত” কাৰ্যক্ৰমৰ অসম প্ৰান্তৰ আহ্বায়ক নৰ কুমাৰ দলেৰ লগতে নাগালেণ্ডৰ নিমন্ত্ৰিত অতিথি সকল উপস্থিত থাকে। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কয়, মাননীয় নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী আসনত অধিষ্ঠিত হোৱাৰে পৰাই দেশৰ প্ৰতিটো প্ৰান্তৰ প্ৰতিজন নাগৰিকক সাঙুৰি ভাৰতক বিশ্বগুৰু আসনত দিশে আগুৱাই নিছে। প্ৰধানমন্ত্ৰী গৰাকীৰ সদিচ্ছাৰ বাবেই আজি অসম তথা উত্তৰ পূৰ্বাঞ্চল দেশৰ অন্যান্য প্ৰান্তৰ লগত ফেৰ মাৰিব পৰাকৈ অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি দিশত আগুৱাই যাবলৈ সক্ষম হৈছে।

# ‘অসম বিজেপি বাৰ্তা’ উন্মোচন




ৰঙিলী বাৰ্তাসেৱা- যোৱা ১ ডিচেম্বৰত ভাৰতীয় জনতা পাৰ্টি, দক্ষিন কামৰূপ জিলাৰ মুখ্য কাৰ্যালয়ত দিনৰ ভাগত “অসমীয়া বিজেপি বাৰ্তা” উন্মোচন কৰা হয়। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, গুৱাহাটী লোক সভাৰ সাংসদ কুইন ওজা পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া জিলা সভাপতি ধনেশ্বৰ কলিতাৰ উপস্থিতিত দলৰ জ্যেষ্ঠ নেতা তথা দক্ষিণ কামৰূপ জিলাৰ প্ৰাক্তন সভাপতি থানেশ্বৰ কলিতাই ডিচেম্বৰ মাহৰ বিজেপি বাৰ্তা সংখ্যাটি উন্মোচন কৰে।

# ৰেগিং কাণ্ডৰ অন্যতম অভিযুক্ত দিব্যজ্যোতি গগৈক গ্ৰেপ্তাৰ



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেগিং কাণ্ডৰ অন্যতম অভিযুক্ত দিব্যজ্যোতি গগৈৰ আত্মসমৰ্পণ। আত্মসমৰ্পণৰ পিছতে দিব্যজ্যোতি গগৈক গ্ৰেপ্তাৰ কৰা হৈছে। ইফালে, বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনত অনুষ্ঠিত হৈছে এণ্টি ৰেগিং কমিটীৰ বৈঠক। বৈঠকৰ সময়ত উপস্থিত হ'ব লাগিব বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক উজ্জ্বল অংকুৰ বৰা। আন ১১ গৰাকী অভিযুক্ত ছাত্ৰও বৈঠকত উপস্থিত হ'ব লাগিব। জাননী দিয়াৰ পিছতো বুধবাৰে হাজিৰ হোৱা নাছিল উজ্জ্বল অংকুৰ বৰা। উপস্থিত নহ'লে তদন্ত কমিটীয়ে ল'ব সিদ্ধান্ত।

# ভৱিষ্যতে প্ৰয়োজন হলে আনন্দ শৰ্মাক বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চাকৰি দিব



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰেগিং কাণ্ডৰ বলি হৈ জীৱন-মৃত্যুৰ সৈতে যুঁজি থকা আনন্দ শৰ্মাৰ চিকিৎসা আৰু ভৱিষ্যতৰ দায়িত্ব ল'ব ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। ভৱিষ্যতে প্ৰয়োজন হলে আনন্দ শৰ্মাক বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চাকৰিও দিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং জিতেন হাজৰিকাই আজি আনন্দ শৰ্মাৰ স্বাস্থ্যৰ বুজ লোৱাৰ লগতে আনন্দ শৰ্মাৰ পৰিয়াল আৰু চিকিৎসকৰ সৈতেও মত বিনিময় কৰে। উপাচাৰ্য ডং জিতেন হাজৰিকাই জানিবলৈ দিয়ে যে, বিশ্ববিদ্যালয়ৰ ৰেগিং কাণ্ডৰ সৈতে জড়িত কোনো লোক সাৰি নাযাব। হোষ্টেলৰ তিনিওজন ৱাৰ্ডেন ক্ৰমে দিব্যজ্যোতি দত্ত, পলাশ দত্ত আৰু আবু মুস্তাক হুছেইনক অব্যাহতি দিয়া হৈছে। আনন্দ শৰ্মাৰ চিকিৎসাৰ লগতে ভৱিষ্যতৰ সম্পূৰ্ণ দায়িত্ব বহন কৰিব বিশ্ববিদ্যালয় কৰ্তৃপক্ষই। উল্লেখযোগ্য যে, ভৱিষ্যতে প্ৰয়োজন হলে আনন্দ শৰ্মাক চাকৰিও দিব বুলি উল্লেখ কৰি উপাচাৰ্য ডং জিতেন হাজৰিকাই নিজেও ব্যক্তিগতভাৱে সহায়ৰ হাত আগবঢ়াব বুলি মন্তব্য কৰে।

# যোৰহাটত চাঞ্চল্যকৰ অপহৰণ কাণ্ড

ৰঙিলী বাৰ্তাসেৱা- যোৰহাটত ৰজাবাৰীত সংঘটিত হৈছে চাঞ্চল্যকৰ অপহৰণ কাণ্ড। ছাত্ৰক অপহৰণ কৰি ৫০ লাখ টকা মুক্তিপণ দাবী। বুধবাৰে ৰেল ষ্টেচনৰ পৰা অমৰজিৎ প্ৰসাদ নামৰ এগৰাকী যুৱকক নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই অপহৰণ কৰে। দুৰ্বৃত্তই অপহৃতৰ মুক্তিপণ হিচাপে পৰিয়ালৰ লোকক ৫০ লাখ টকাৰ দাবী কৰে। অৱশ্যে পাছলৈ উক্ত ধনৰ পৰিমাণ ৫ লাখ টকালৈ হ্ৰাস কৰা বুলি জানিব পৰা গৈছে। ইতিমধ্যে পৰিয়ালৰ লোকে যোৰহাট সদৰ থানাত ঘটনাৰ বিষয়ে অৱগত কৰিছে। অমৰজিৎ প্ৰসাদ ১ ঘৰ যোৰহাটৰ বাঁহবাৰীত আৰু তেওঁ এগৰাকী ঠিকাদাৰ পুত্ৰ।

# মৈৰাবাৰীত ড্ৰাগছ আসক্ত যুৱকৰ কৰ্ম কাণ্ডত অতিষ্ঠ হৈ গঞাই ল'লে পদক্ষেপ



ৰঙিলী বাৰ্তাসেৱা- মুছলিম অধ্যুষিত অঞ্চল মৰিগাঁও জিলাৰ মৈৰাবাৰীত ড্ৰাগছৰ কবলত পৰি একাংশ উঠি অহা প্ৰজন্ম নামি পৰিছে চুৰি কাণ্ডৰ লগতে বিভিন্ন অপৰাধ জনীত কৰ্মত। স্কুলীয়া ছাত্ৰৰ পৰা আদি কৰি কম বয়সীয়া যুৱকো হাৰি যোৱা নাই ড্ৰাগছৰ কবলৰ পৰা। আনহাতে মৈৰাবাৰী আৰক্ষীয়ে দিনে নিশাই একাকাৰ কৰি এটাৰ পিছত এটাকৈ ড্ৰাগছ ব্যৱসায়ী সকলক জেল হাজোতলৈ প্ৰেৰণ কৰি আহিছে যদিও জেল হাজোতৰ পৰা মুক্তি লাভ কৰি আৰক্ষীৰ চকুত ধুলি দি আকৌ নামি পৰে

( পাঁচ পৃষ্ঠাত চাওক)

# কাছাৰৰ কালাইত ইটা

কৰি আন ১০ জন শ্ৰমিকক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত শিলচৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ প্ৰেৰণ কৰে। তদুপৰি ডাঃ ভৌমিকে কয় যে গুৰুতৰভাৱে আহত ১০ জন শ্ৰমিকৰ ভিতৰত ৪/৫ শ্ৰমিকৰ অৱস্থা অতি সংকটজনক। শিলচৰ মেডিকেল কলেজ হাস্পতাললৈ অনা দুজন শ্ৰমিকৰ মৃত্যু হয়। ইফালে কাটিগড়াৰ বিধায়ক খলিল উদ্দিন মজুমদাৰে এই শোকাৱহ দুৰ্ঘটনাৰ খবৰ পাই লগে লগে ঘটনাস্থলীত উপস্থিত হয়। তদুপৰি বিধায়ক মজুমদাৰে চিকিৎসাধীন হৈ থকা আহতসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণকে ধৰি নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। ইফালে এই মৰ্মান্তিক দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে কালাইন অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ লগতে শোকৰ ছাঁ পৰিছে।

# একাদশ মৃত্যু বাৰ্ষিকীত মামণি ৰয়ছম গোস্বামীক স্মৰণ মালিগাঁও সাহিত্য সভাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- জ্ঞানপীঠ বঁটা বিজয়িনী বিশিষ্ট সাহিত্যিক মহীয়সী নাৰী মামণি ৰয়ছম গোস্বামীৰ একাদশ মৃত্যু বাৰ্ষিকীৰ সতে সংগতি ৰাখি মহানগৰীৰ মালিগাঁও সাহিত্য সভাই আজি এক স্মৃতি চাৰণ অনুষ্ঠানৰ আয়োজন কৰে। দিনজোৰা কাৰ্যসূচীৰে আয়োজিত স্মৃতি চাৰণ অনুষ্ঠানৰ মুকলি সভাত সভাপতিত্ব কৰে মালিগাঁও সাহিত্য সভাৰ সভাপতি জ্যোতিপ্ৰসাদ বৰাই। মামণি ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মালিগাঁও সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সূৰ্যকান্ত দেৱশৰ্মাই আৰু বন্তি প্ৰজ্বলন কৰে মালিগাঁও সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কামেশ্বৰ ডেকাই। সম্পাদক দিলীপ বড়োৱে আঁত ধৰা সভাখন উদ্বোধন কৰে অনিল কুমাৰ চৌধুৰীয়ে। বিশিষ্ট অতিথি ৰূপে সভাত উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰী আৰু কামৰূপ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰিজু হাজৰিকা। সভাত প্ৰিয়নাথ দত্ত আৰু ৰেণুকা বসুমতাৰীৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত শাখা সাহিত্য সভাৰ সদস্যবৃন্দৰ উপৰিও ভালে সংখ্যাক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰাবাসত ছাত্ৰক অমানুষিক অত্যাচাৰৰ অভিযোগ

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাছত এইবাৰ যোৰহাটত ৰেগিং বিতৰ্ক। যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰাবাসত ছাত্ৰক অমানুষিক অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। সামাজিক মাধ্যমত ৰেগিংৰ ভয়ংকৰ বৰ্ণনা যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ এজন ছাত্ৰৰ। প্ৰণৱ জ্যোতি চেতিয়া নামৰ ছাত্ৰ গৰাকীয়ে ইতিমধ্যে চৰ্চিয়েল মিডিয়াৰ জৰিয়তে অভিযোগ ৰাজহুৱা কৰিছে। জ্যেষ্ঠ ছাত্ৰই চলোৱা শাৰিৰীক মানসিক নিৰ্যাতনৰ অভিযোগ দিয়াৰ পিছতো মহাবিদ্যালয় কতৃপক্ষই ব্যৱস্থা নোলোৱাৰ অভিযোগ ছাত্ৰজনৰ। নৱাগত ছাত্ৰক চুলি খুৱাই, বস্ত্ৰহীন কৰি অকথ্য নিৰ্যাতন জ্যেষ্ঠ ছাত্ৰৰ। অত্যাচাৰ সহিব নোৱাৰি হোষ্টেল ত্যাগ বহু দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰৰ। মহাবিদ্যালয় কৰ্তৃপক্ষক অভিযোগ দিয়াৰ পিছটো কোনো ব্যৱস্থা নোলোৱাৰ অভিযোগ উত্থাপিত হৈছে। চৰ্চিয়েল মিডিয়াত প্ৰণৱ জ্যোতি চেতিয়া নামৰ ছাত্ৰ জনে লিখিছে- মই মাত্ৰ এমাহ সময় আমাৰ স্বাভিমান মোৰ অতি আপোন জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰাবাস "চৈয়দ আব্দুল মালিক ছাত্ৰাবাস"- ৰ আৱাসী হিচাপে আছিলোঁ। সেই এমাহৰ অভিজ্ঞতাই মোক ৰেগিংৰ বাবে কেনে শাৰীৰিক/মানসিক অশান্তি ভুগিব লগা হয় তাৰ উপলব্ধি ভালকৈ কৰালে। ক'বলৈ বেয়া লাগিছে তথাপিও এইয়া দুখজনক যে আমাৰ মহাবিদ্যালয়ৰ হোষ্টেলতো নৱাগত সকলক অগ্ৰজসকলে মানসিক আৰু শাৰীৰিক ভাৱে অত্যাচাৰ কৰে। মহাবিদ্যালয় কৰ্তৃপক্ষই এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা নল'লে এই ঘটনাৰ দৰেই হয়তো পুনৰ সংঘটিত হোৱাৰ সম্ভাৱনা আছে। কিয়নো এই হোষ্টেলৰো বহু কৰ্ম কাণ্ড সঁচাকৈ বহু অমানৱীয়। ৰাতি ৯/১০ বজাৰ পৰা ৩/৪ বজালৈ কমন ৰোমত থিয় কৰাই থোৱা অশ্লীল শব্দ ব্যৱহাৰ কৰি নৱাগত সকলক মানসিক অত্যাচাৰ কৰা, ৰাতি হোষ্টেলৰ গেট পাৰ হৈ চিগাৰেট/বিড়ি আনিবলৈ দিয়া, নিচাত মাতাল হৈ অৰ্থহীন প্ৰশ্ন কৰি শাৰীৰিক শাস্তি দিয়া, বস্ত্ৰহীন কৰি টিকাত চিহ্ন মৰা, চুলি খুৱাই দিয়া - এই সকলো বোৰৰ মই ভুক্ত ভুগি। এইবোৰ কামৰ বাবে অগ্ৰজ সকলে যুক্তি দিয়ে "১৯৫৪ চনৰ পৰাই ই চলি আহিছে তঁহতে কিয় নোৱাৰিবি? আমিও এইবোৰ সহ্য কৰি আহিছোঁ তহঁতেও কৰ, এদিন তঁহতেও আমাৰ ঠাইত থাকিবি... কোনো কোনোৱে এই ঘটনাটো সংঘটিত হোষ্টেল খনৰো উদাহৰণ দিয়া মনত আছে .... অপৰাধ কৰাৰ দৰেই অপৰাধ লুকুৱাই ৰখাটো এটা অপৰাধ সেইয়ে মই এই অপৰাধৰ বিৰুদ্ধে গোচৰ দিছিলোঁ কিন্তু বহু কথাৰ বাবে পিছুৱাব লগা হ'ল..."

# শিলচৰত অনুষ্ঠিত হয় ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- শিলচৰত ৰাজ্যৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। নতুন বছৰৰ ৩১ মাৰ্চলৈ নতুন অৰুণোদয় হিতাধিকাৰী সংযোজিত হ'ব। ১০,৫৭,৫১৬ গৰাকী নতুন হিতাধীকাৰী সংযোজন হ'ব অৰুণোদয় আঁচনিত। পূৰ্বৰ পৰা ৰাজ্যত ১০ লাখ হিতাধিকাৰী আছে। মুঠ অৰুণোদয় হিতাধিকাৰী হ'বগৈ ২৭,৭৭,০০০ গৰাকী। ২০ ফেব্ৰুৱাৰীৰ ভিতৰত বাচনি হ'ব অৰুণোদয়ৰ হিতাধিকাৰী। ১০ এপ্ৰিলত প্ৰথম কিস্তিৰ ধন পাব হিতাধিকাৰীয়ে। অৰুণোদয়ৰ নামত বাৰ্ষিক ৪ হাজাৰ কোটি টকা ব্যয় হ'ব। এইবাৰৰ পৰা বিধৱা পেন্সন পোৱা মহিলায়ো অৰুণোদয়ৰ সুবিধা পাব। দীনদয়াল দিব্যাংগ আঁচনিৰ হিতাধিকাৰীয়ে পাব অৰুণোদয়। কেবিনেটত ৩২২ টা প্ৰকল্পৰ প্ৰস্তাৱত অনুমোদন জনোৱা হয়। ৩২ বছৰ পুৰণি প্ৰস্তাৱো কেবিনেটত অনুমোদন। ১৯৯০ চনত দিয়া প্ৰকল্পৰ প্ৰস্তাৱত আজি কেবিনেটে অনুমোদন জনায়। গুৱাহাটীত ৩ খন নতুন উৰণীয়া সেতুৰ অনুমোদন কেবিনেটৰ। এখন উৰণীয়া সেতু হ'ব ডাউন টাউন হাস্পতালৰ সমুখত। এখন উৰণীয়া হ'ব ফটাশিল চাইকেল ফেক্টৰীৰ ওচৰত আৰু আনখন হ'ব কুমাৰপাৰা ফটাশিল ৰাস্তাৰ ওপৰত। সমগ্ৰ জিএছ ৰোড ট্ৰেফিক পইণ্ট বিহীন কৰাৰ পৰিকল্পনা লৈছে চৰকাৰে। গুৱাহাটীৰ বিমানবন্দৰৰ পৰা আজাৰালৈ হ'ব নতুন পথ। গুৱাহাটীৰ বিমান বন্দৰৰ টাৰ্মিনেল বিল্ডিঙৰ পৰা আজাৰৰ লৈকে এটা নতুন পথৰ সিদ্ধান্ত লোৱা হৈছে। পাগলাদিয়াৰ ওপৰত দলং নিৰ্মাণৰো পৰিকল্পনা চৰকাৰৰ। কেবিনেটত মাজুলী-লখিমপুৰ সংযোগী দলং নিৰ্মাণৰো সিদ্ধান্ত লোৱা হয়। জিলাই জিলাই ১৫ হাজাৰ কোটি টকাৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত কেবিনেট বৈঠকত। বৰাকৰ জিচি কলেজ বিশ্ববিদ্যালয় হ'ব। শিলচৰৰ মিনি সচিবালয়ৰ বাবে ১৩৫ কোটি টকা ধাৰ্য কৰা হৈছে।

# আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন

ৰঙিলী বাৰ্ত্তাসেৱা- সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে লতাকটাস্থিত গুৱাহাটী দৃষ্টিহীন উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। উল্লেখযোগ্য যে বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰতিপালনৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ সুবিধাৰ্থে প্ৰতিবছৰে ৩ ডিচেম্বৰত এই দিৱস পালন কৰা হয়। অসমৰ দিব্যাংগসকলৰ আয়ুক্ত দেৱেশ্বৰ বৰাই পতাকা উত্তোলনৰে দিব্যাংগ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দিব্যাংগ শিশুসকলৰ মাজত চিত্ৰাংকন আৰু খেল-ধেমালী প্ৰতিযোগিতাও অনুষ্ঠিত হয়। দিব্যাংগ দিৱসৰ লগত সংগতি ৰাখি প্ৰতীক্ষা ইনষ্টিটিউট অফ এলাইড হেল্থ চায়েন্সৰ উদ্যোগত বিনামূলীয়া ফিজিঅ'থেৰাপী কেম্প আৰু মেডিকেল ইউনিটৰ ব্যৱস্থা কৰা হয়।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ১৮ জন ছাত্ৰক বহিষ্কাৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেগিং কাণ্ডক লৈ ১৮ জনক বিশ্ববিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰা হৈছে। আটাইকেইজন ছাত্ৰক শীঘ্ৰেই ছাত্ৰাবাস খালি কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আটাইকেইজন ছাত্ৰ পদ্মনাথ গোহাঁই বৰুৱা ছাত্ৰ নিবাসৰ। আনহাতে ৰেগিং কাণ্ডৰ মূল অভিযুক্ত ৰাহুল চেত্ৰীক বিশ্ববিদ্যালয়ত আজীৱন প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। বিশ্ববিদ্যালয়ৰ অনুশাসন কমিটীৰ বৈঠকৰ পাছতেই এই সিদ্ধান্ত লোৱা হৈছে। এই সন্দৰ্ভত পদ্মনাথ গোহাঁই বৰুৱা ছাত্ৰ নিবাসৰ ৱাৰ্ডেনলৈ কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক টুইট যোগে আৰক্ষীক কঠোৰ হ'বলৈ নিৰ্দেশ দিয়াৰ পাছতেই সোমবাৰে পুৱা আৰক্ষীয়ে ৪ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰে। এই ৪ জন ছাত্ৰ হৈছে ক্ৰমে সীমান্ত হাজৰিকা, নিৰঞ্জন ঠাকুৰ, গোলাপ ডেকা আৰু প্ৰানজিৎ বৰুৱা। অৱশ্যে, মূল অভিযুক্ত ৰাহুল চেত্ৰী এতিয়াও পলাতক। মুঠ ১৮ জন ছাত্ৰৰ ওপৰত ৰেগিঙৰ অভিযোগ ৰুজু কৰা হৈছিল। আনহাতে, এই সমগ্ৰ ঘটনাৰ সৈতে বিশ্ববিদ্যালয়খনৰ বহু কেইগৰাকী প্ৰাক্তন ছাত্ৰও জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে।

# অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বৰ্তমান আৰু ভৱিষ্যৎ.....

অংকুৰ কলিতা,
যোগাযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

জ্যোতিপ্ৰসাদৰ 'জয়মতী'ৰে আৰম্ভ হোৱা অসমীয়া চলচ্চিত্ৰই এক বৰ্ণিল পৰিক্ৰমা অতিক্ৰম কৰিছে; বহু ঘাত-প্ৰতিঘাত, উত্থান-পতনৰ মাজেৰে আজিৰ পৰ্যায় পাইছে। বিকাশ আৰু পৰিৱৰ্তনৰ বাটেৰে আগবঢ়া এই চলচ্চিত্ৰ আজি গণমাধ্যমৰ শ্ৰেষ্ঠতম কলা হৈয়েই থকা নাই, ই এক স্বয়ংসম্পূৰ্ণ বৃহৎ পৰিসৰৰ ব্যৱসায়ো হৈ পৰিছে। অসমীয়া ছবি বৰ্তমান এক উদ্যোগত পৰিণত হৈছে যদিও ঔদ্যোগিক বিকাশে আজিও আশা কৰা মতে গা কৰি উঠিব পৰা নাই। অন্য অৰ্থত চাৰি কুৰি বছৰীয়া এই ছবি উদ্যোগলৈ সম্প্ৰতি বিভিন্ন কাৰণৰ বাবে দুৰ্দিন নামি আহিছে। বৰ্তমান অসমীয়া ছবি সংকটৰ গৰাহত। দৰাচলতে অসমীয়া ছবিৰ বিকাশ আৰু প্ৰসাৰৰ দিশত সবল খোজ পেলাবৰ বাবে কাৰিকৰী দিশ, উন্নত প্ৰযুক্তিৰ ব্যৱহাৰ, অভিনয় শৈলীৰ পৰিৱৰ্তন আদি বিভিন্ন দিশত উপযুক্ত পদক্ষেপ লোৱাৰ লগতে চৰকাৰৰ সদিচ্ছাও অতিকে প্ৰয়োজনীয়। চৰকাৰৰ উপযুক্ত চলচ্চিত্ৰ নীতি অবিহনে আঞ্চলিক ভাষাৰ ছবি উদ্যোগে সুস্থ গতি লাভ কৰিব নোৱাৰে। আনহাতে সৰ্বসাধাৰণৰ মাজত জাতীয়তাবোধো জাগ্ৰত হ'ব লাগিব। নিজৰ ভাষাৰ, নিজৰ আপোন ছবি উদ্যোগটোৰ প্ৰতি ভালপোৱা ভাব সকলো দৰ্শকৰ মনত থাকিব লাগিব। দৰ্শকে অসমীয়া ছবি চাম বুলি ছবিগৃহলৈ যোৱাৰ মানসিকতা গঢ় ল'ব লাগিব। ভালেসংখ্যক উচ্চমানৰ ছবি বৰ্তমান মুক্তিৰ আপেক্ষাত আছে। কিন্তু দৰ্শক হেনাই। দৰ্শকৰ অভাৱৰ বাবেই ছবি নিৰ্মাতাসকল থমকি ৰ'বলগীয়া হৈছে। ইয়াৰ বিপৰীতে আঞ্চলিক ভাষাৰ ছবি উদ্যোগৰ বিকাশ আৰু প্ৰসাৰৰ ইতিবাচক উদাহৰণ হ'ল তামিল-তেলুগু-কানাড়া আদি দক্ষিণাত্যৰ ছবি উদ্যোগসমূহ। যিসমূহ ছবি বলিউদৰ ব্যয়বহুল হিন্দী ছবিক প্ৰত্যাহ্বান জনাব পৰাকৈ সবল। সেয়া ছবিত কেতিয়াও দৰ্শকৰ অভাৱ ঘটা নাই। কিন্তু আমাৰ অসমীয়া ছবিৰ অৱস্থা আজি দুখ লগা কিয়?




এটা সময়ত আমাৰ অসমত অসমীয়া ছবিয়ে দৰ্শকক ইমানেই মোহাচ্ছন্ন কৰি ৰাখিছিল যে বলিউদৰ জনপ্ৰিয় হিন্দী ছবিয়েও সেই সময়ত অসমত বিশেষ প্ৰাধান্য লাভ কৰিবলৈ সক্ষম হোৱা নাছিল । প্ৰায়বোৰ অঞ্চলতে প্যঁনতম এটাকৈ হলেও চিত্ৰগৃহ আছিল। জ্যোতিপ্ৰসাদে এৰি থৈ যোৱা চলচ্চিত্ৰ ধাৰাটোক সমৃদ্ধ কৰা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা, ডঃ ভবেন্দ্ৰ নাথ শইকীয়া, পদুম বৰুৱা, ব্ৰজেন বৰুৱা, জাহ্নু বৰুৱাৰ পৰা অশোক কুমাৰ বিষয়া, মুনীন বৰুৱালৈকে বহুকেইজন স্বনামধন্য ছবি পৰিচালকৰ বলিষ্ঠ পৰিচালনাত এখনৰ পাছত আনখন চুপাৰহিট অসমীয়া ছবিয়ে মুক্তি লাভ কৰিছিল। দৰ্শকে গাঁৱৰ পৰা বাছ ভাড়া কৰি অসমীয়া ছবি চাবলৈ চিনেমা হললৈ গৈছিল। আঠৰ দশকৰ পৰা একবিংশ শতিকাৰ আৰম্ভণিলৈকে অসমীয়া চলচ্চিত্ৰৰ ভাল দিন চলি আছিল। কিন্তু লাহে লাহে অসমীয়া চলচ্চিত্ৰ জগতখনত কেণা লাগিবলৈ আৰম্ভ কৰিলে। বহু চিত্ৰগৃহ ক্ৰমাৎ বন্ধ হ'বলৈ আৰম্ভ কৰিলে। তাৰ পাছৰছোৱা সময় মাথোঁ সংগ্ৰাম। অসমীয়া চলচ্চিত্ৰ নিৰ্মাণৰ গতি মন্থৰ হ'বলৈ ধৰিলে। বহু খ্যাতনামা পৰিচালকে ছবি নিৰ্মান কৰিবলৈ আগবাঢ়ি আহিবলৈ সাহস নকৰা হ'ল। প্ৰযোজকে বৃহৎ অংকৰ ধন বিনিয়োগ কৰিবলৈ ভয় কৰা হ'ল। কাৰণ, অসমীয়া মানুহে ছবিঘৰত টিকট কাটি অসমীয়া ছবি নাচায়। ক'ৰ পৰা বিনিয়োগ কৰা ধন ঘূৰি আহিব? অৱশ্যে বিগত প্ৰায় দুটা দশকত ভালেকেইখন ভাল ভাল অসমীয়া ছবি নিৰ্মাণ হৈছে। কেবাখনো অসমীয়া ছবিয়ে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰি আমাৰ ছবিজগতক সমৃদ্ধ কৰিছে। কিন্তু অসমত সেই ছবিৰ দৰ্শক নাই। ছবিঘৰৰ স্বত্বধিকাৰীয়ে অসমীয়া ছবি চলাবলৈ ভয় কৰে। লাহে লাহে উন্নত, অত্যাধুনিক প্ৰযুক্তিৰে একাংশ ডিজিটেল ছবিগৃহও নিৰ্মাণ হ'ল। কিন্তু ছবিঘৰত অসমীয়া ছবি চাবলৈ দৰ্শকহে নোযোৱা হ'ল। কিয় আমাৰ অসমতে অসমীয়া ছবিৰ এই দুৰৱস্থা? আজি অসমৰ যুবচামে প্ৰতিখন হিন্দী ছবিৰ খবৰ ৰাখে, বলিউদৰ ছবি এখন চাবলৈ বৰ্তমান অসমত যিকেইটা ছবিঘৰ আছে, তাত দৰ্শকৰ হেতা-ওপৰা লাগে। প্ৰতিটো দৰ্শনীতে হাউছফুল । একোখন বলিউদৰ ছবিয়ে অসমত কোটি টকাৰ ব্যৱসায় কৰে। বলিউদৰ চিনেমা এখন চাবলৈ ইমান আগ্ৰহ কিয়? চলচ্চিত্ৰপ্ৰেমী

(নপৃষ্ঠাত চাওক)

## সত্যৰ প্ৰকাশ

ব্ৰহ্মাকুমাৰ আকাশ সাহা, সৰভোগ

পৃথিৱীৰ সকলো ব্যৱস্থাৰে কোনোবা এজন মুৰব্বী বা নিয়ন্ত্ৰক থাকে যিয়ে সেই ব্যৱস্থাটোৰ যত্ন লৈ থাকে। আমি পৃথিৱীৰ প্ৰাকৃতিক, সামাজিক, পাৰিবাৰিক ব্যৱস্থাৰ মুৰব্বীজনক দেখিছোঁ আৰু জানো, কিন্তু পৃথিৱীখনৰ নিৰ্মাণৰ কাম কৰা পৃথিৱীৰ মুৰব্বী কোন? কেৱল সেই বিশ্বব্ৰহ্মাণ্ডৰ নিয়ন্ত্ৰকহে পৰম শক্তি পৰমআত্মা বোলা হয়। প্ৰতিটো ব্যৱস্থাৰ মূল আৰু মৌলিক কথাবোৰ তেওঁহে জানে, বাকী সকলোৱে সেই বিষয়টোৰ আনুমানিক কথাহে প্ৰকাশ কৰে। এতিয়ালৈকে যিসকলে বিশ্বৰ বিভিন্ন দিশৰ ওপৰত পোহৰ পেলাইছিল, সেইবোৰ কেৱল আনুমানিক আছিল বা চিন্তন-সাধনা আছিল। ই নিৰপেক্ষ সত্য নাছিল, গতিকে ইয়াক গ্ৰহণ কৰা নহ'ল। বাস্তৱ সত্যৰ নিজস্ব শক্তি আছে যিটো অনুশীলন কৰাৰ লগে লগে অনুভৱ কৰা হয় আৰু ইয়াৰ ফলত সুনিৰ্দিষ্ট ফল পোৱা যায়। ভিন্ন মতামত, পৰীক্ষা-নিৰীক্ষা, প্ৰচেষ্টা-চেষ্টা কৰাৰ পিছতো এতিয়ালৈকে মানৱ মনৰ, জন-জীৱনৰ, সমাজৰ ৰোগ, দুখ, বিকাৰ, বিকৃতি শেষ হোৱা




নাই। ইয়াৰ অৰ্থ এইটোয়ে হ'ল যে আমি এতিয়ালৈকে জীৱন বা জগতৰ ব্যৱস্থা ঠিক কৰিবলৈ যি কৰি আহিছোঁ সেয়া কঠিন সত্যৰ ওপৰত ভিত্তি কৰি নহয়। জগতৰ নিয়ন্ত্ৰক ঈশ্বৰেহে জগতৰ সত্যবোৰ ব্যাখ্যা কৰে। মানুহে নিজেই কেতিয়াও নিজৰ বিষয়ে সত্য বিচাৰি নাপায়। পৰম সত্য নিজে আহি জীৱন আৰু জগতৰ অনন্তত সত্যৰ জ্ঞান দিয়ে। সেইবাবেই তেওঁৰ পৃথিৱীৰ অৱতাৰৰ বিষয়ে বিভিন্ন কথা কোৱা হৈছে। যদি মানুহে নিজেই সাধাৰণ আত্মাৰ ৰূপত বা মহাত্মা, ধৰ্মত্মা, পুণ্যত্মা বা দেৱত্মা হিচাপে সত্য বিচাৰিব পাৰে, তেন্তে ঈশ্বৰৰ অৱতাৰৰ প্ৰয়োজন কিয়? কেৱল পৰম সত্য পৰম আত্মাইহে সত্যৰ পোহৰ বিয়পাই দিয়ে। সেইবাবেই প্ৰতিজন মানুহে তেওঁক অন্ধকাৰৰ পৰা পোহৰলৈ, অসত্যৰ পৰা সত্যলৈ, মৃত্যুৰ পৰা অমৃতলৈ লৈ যাবলৈ প্ৰাৰ্থনা কৰে, সেই অভিজ্ঞতা মানুহৰ মাজত গভীৰভাৱে নিহিত হৈ আছে, তেতিয়াহে আমি ঈশ্বৰক সৰ্বজ্ঞানী, জ্ঞানৰ সাগৰ বুলি কওঁ। বিশ্বাস কৰাটো এটা কথা, সত্যবাদী হোৱাটো আন এটা কথা। আমি ক'ব পাৰোঁ যে ধৰ্মই নিৰপেক্ষ সত্য কোৱা নাই, বিজ্ঞানেও নিৰপেক্ষ সত্য কোৱা নাই কাৰণ দুয়োটা মানুহৰ মনৰ উৎপাদন আৰু দুয়ো নিৰন্তৰ প্ৰয়াস কৰি আছে। গতিকে অন্তিম সিদ্ধান্ত ভগৱানৰ ওপৰত এৰি দিয়া হয়। তেওঁহে সম্পূৰ্ণ ন্যায় কৰিব পাৰে। যেতিয়া

(আঠপৃষ্ঠাত চাওক)

## ধাননি পথাৰ

ময়ূৰাক্ষী গগৈ



পথাৰ ভৰি আছে সোণগুটি ধানেৰে।
দুহাতেৰে চপাওঁগৈ ব'লা।
পুৱাৰ নিয়ৰত তিতি থকা,
সোণগুটিবোৰ ৰ'দ পাই জিলিকি উঠে।
দেখিয়েই মন প্ৰাণ হৰি নিয়ে।
চাই চাই যেন হেঁপাহ নপলায়।
হাতত কাঁচি লৈ দাৱনি ওলাল,
পাচে পাচে টমাল বিৰিয়া লৈ
দাইটিও আহিছে ডাঙৰি আনিবলৈ।
জহা, বৰা, শালি, ৰঞ্জিত, মনোহৰ,
আৰু কত কি নাম সোণগুটি ধানৰ।
খোজৰ তালে তালে নাচি উঠে,
দাইটিৰ কান্ধৰ ডাঙৰিবোৰ।
ভঁৰাল উপচি পৰা সোণগুটিবোৰ দেখি,
ভাগৰ কেনিবা পলায়।
উলাহেৰে গৃহস্থই আয়োজন কৰে,
তৃপ্তিৰে ন-সাজ খাবলৈ।

# মৈৰাবাৰীত ড্ৰাগছ আসক্ত যুৱক

সেই একেই কৰ্মত।এটা সময়ত ড্ৰাগছৰ ঘাটি ৰূপে পৰিণত হোৱা মৈৰাবাৰী অঞ্চলৰ পৰা আৰক্ষী সকলে ড্ৰাগছৰ প্ৰৱণতা কিছু পৰিমানে হ্ৰাস কৰিবলৈ সক্ষম হৈছে যদিও আজিৰ দিনতো মৈৰাবাৰীৰ আশে পাশে অৱস্থিত অঞ্চলবোৰত গোপনে চলিছে ড্ৰাগছৰ ব্যৱসায়। যাৰ পৰিণতি ভুগিব লগা হৈছে সাধাৰণ ৰাইজৰ লগতে ড্ৰাগছ আসক্ত সকলৰ পৰিয়ালৰ লোকে।ড্ৰাগছ ব্যৱসায় কৰি কেইবাবাৰো জেললৈ যোৱা পশ্চিম মৈৰাবাৰীৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী কাজিম উদ্দীনক কেইবা মাহ পূৰ্বে মৈৰাবাৰী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। সেই কাজিম উদ্দীনৰ পৰিয়ালৰ আন এজন যুৱকক কালি নিশা পশ্চিম মৈৰাবাৰীৰ একাংশ ৰাইজে চুৰি কৰিবলৈ যাওঁতে হাতে লুটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়।কুখ্যাত কাজিম উদ্দীনৰ ভতিজা ড্ৰাগছ আসক্ত শুকুৰ আলিয়ে অঞ্চলটো গঞা সকলৰ ঘৰৰ পৰা-মবাইল ফোন, চাইকেল, হাঁহ-মুৰ্গী, ছাগলী আদিৰ লগতে ঘৰত ব্যৱহাৰ কৰা সা সামগ্ৰী চুৰি কৰি অঞ্চলটোৰ ৰাইজৰ নিদ্ৰা হৰণ কৰি আহিছিল। সাৰি যোৱা নাছিল মছজিদো। উপায়ন্তৰ হৈ স্থানীয় ৰাইজে সৰ্বসন্মতি সহ চহী সম্বলিত এখনি এজাহাৰ সহ ড্ৰাগছ আসক্ত যুৱক শুকুৰ আলিক মৈৰাবাৰী আৰক্ষী থানাত চমজাই দিয়ে। আনহাতে উক্ত অঞ্চলটোত ড্ৰাগছ আসক্ত আন কেইবাটাও যুৱকক অতি সোনকালে ড্ৰাগছ এৰিবলৈ সকীয়নী প্ৰদান কৰে।স্থানীয় ৰাইজে ড্ৰাগছৰ বিৰুদ্ধে লোৱা এনে পদক্ষেপক বিভিন্ন দল সংগঠন ও মৈৰাবাৰী আৰক্ষী থানাৰ আৰক্ষী বিষয়া ছাবিৰ আলিৰ লগতে অঞ্চলৰ ড্ৰাগছ বিৰোধী ৰাইজে প্ৰশংসা কৰা পৰিলক্ষিত হৈছে।

# হিন্দুৰ প্ৰতি চূড়ান্ত

বৃদ্ধিৰ প্ৰসংগক লৈ আজি এআইইউডিএফৰ মুৰব্বীজনে হিন্দু সমাজক উদ্দেশ্যি অশালীন মন্তব্য কৰি কয়- হিন্দুসকলে ৪০ বছৰ বয়সলৈকে বিয়া নাপাতে। ইয়াৰ বিপৰীতে সেই সময়লৈকে বহুতৰে সৈতে অবৈধ সম্পৰ্ক ৰাখে। ৪০ বছৰৰ পাছত পৰিয়ালৰ হেঁচাত বাধ্যত পৰিহে এজনী ছোৱালীক বিয়া পাতে।৪০ বছৰৰ পাছত বিয়া পাতিলে সবল সন্তান কেনেকৈ জন্ম হ'ব? সময়ত খেতি নকৰিলে ভাল ফল কোনেও নাপায়। তেওঁলোকে মুছলমানৰ ফৰ্মুলা লোৱা উচিত। মুছলমানসকলে ১৮-২২ বছৰৰ ভিতৰতে নিকাহত বহে।এজন পিতৃ তথা এটা ৰাজনৈতিক দলৰ মুৰব্বী, এজন সাংসদৰ এনে ৰুচিহীন মন্তব্যক লৈ এতিয়া সৃষ্টি হৈছে তীব্ৰ বিতৰ্ক।আজমলে কি উদ্দেশ্যে এনেধৰণৰ মন্তব্য কৰিলে তাক লৈ চৰ্চা হ'লেও আজমলৰ ৰুচিহীন আৰু সুচিন্তাহীন এনে বক্তব্য যে হতাশগ্ৰস্ততাৰ লক্ষণ সেয়া স্পষ্ট হৈ পৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো লাভ জেহাদ কৰিবলৈ মুকলিকৈ আহ্বান জনোৱা আজমলে আনকি মুখ্যমন্ত্ৰীক লৈও একাধিক অৰুচি আৰু পৰিয়ালে শুনিব নোৱাৰা মন্তব্য কৰে।



# দৈনন্দিন জীৱনত হোৱা ৰেগিং



শৈলেন কুমাৰ, মিৰ্জা

সম্প্ৰতি সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰা সৰ্বাধিক চৰ্চাৰ বিষয় ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰেগিং কাণ্ড। সময়ে সময়ে এনে ঘটনা আমি প্ৰায়ে শুনিবলৈ পাওঁ। ৰেগিংৰ আৰু নিৰ্যাতনৰ বলি হৈ ছাত্ৰ বা ছাত্ৰীৰ আত্মহত্যাৰ চেষ্টা, কিন্তু আমি জানোনে এইবোৰ ঘটনাৰ মূল কাৰণ? সমাজৰ অত্যধিক হেঁচা আৰু মানসিক ছাপ, লজ্জা আৰু ভয় কিবা হেৰাই যোৱাৰ। সমাজ আৰু ঘৰৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যৰ মান ৰাখিবলৈ গৈ আমি মৌন থাকি লাঞ্ছিত আৰু বাঞ্ছিত হব লগাত পৰে। কিন্তু আমি পাহৰি যাওঁ আমাৰ যি উশাহনিশাহ চলি আছে সেয়া সমাজে দিয়া নহয়, পৰমেশ্বৰৰ কৃপা। আমি মূল কথাৰ পৰা আতৰি অহা দেখা যায় আৰু সমাজৰ তথাকথিত নীতিনিয়ম বোৰত আবদ্ধ হোৱা যায়। বিৰোধিতা কৰিবলৈ এৰি আমি শোষিত হওঁ। বিৰোধিতা কৰিলে আমাৰ ইচ্ছাৰ বিৰুদ্ধে কোনোৱে আমাক শোষণ কৰিব নোৱাৰে। স্কুল আৰু কলেজৰ ৰেগিংৰ উপৰিও আমি দৈনন্দিন জীৱনত ৰেগিংৰ কবলত, সকলো দিশতে লুণ্ঠিত আমি। যেতিয়া আমি সমাজৰ ৰীতিনীতি তথা মানসন্মান প্ৰতিষ্ঠাৰ হেৰুওৱাৰ ভয় মনত ঘৰ কৰি থাকিব তেতিয়ালৈকে আমাৰ বিৰোধ ভাৱ জাগ্ৰত নহব আৰু আমি ৰেগিং আৰু নিৰ্যাতনৰ বলি হৈ থাকিব লাগিব।

# প্ৰেমৰ মালাধাৰি

হিমাদ্ৰী বৰকটকী



কুঁৱলী ফালি ওলাই আহিছে বেলিটি
হেঙুলী ৰহনে মোক কৰিছে আমনি
হৃদয়ৰ মনিকোঠাত তোমাৰেই ছবিটি
সযতনে ৰাখিছোঁ তোমাৰেই স্মৃতি
সময়ৰ সোঁতত নাজাবা উটি ভাহি
পাৰিলে ৰাখিবা আমাৰ প্ৰেমৰ চানেকি
জংকী পানৈৰ দৰে অমৰ কাহিনী
চিৰযুগমীয়া হৈ উঠক আমাৰ
এই প্ৰেমৰ মালাধাৰি....

# লাচিত বৰফুকনৰ প্ৰচাৰৰ পৰিকল্পনা প্ৰসাৰ হওক

গোপাল জালান



যোৱা 24 নৱেম্বৰত 400 বছৰেৰেই প্ৰকৃত মৰ্যাদা লাভৰ পৰা বঞ্চিত এগৰাকী মহান অসমীয়া বীৰযোদ্ধাক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়াই এক নতুন দিগন্তৰ সৃষ্টি কৰিলে। শক্তিশালী মোগলক পৰাভূত কৰি বৰ অসমক ৰক্ষা কৰা মহান বীৰযোদ্ধাগৰাকী হ'ল লাচিত বৰফুকন। উত্তৰ পূৰ্বাঞ্চলৰ 'শিৱাজী' হিচাপে খ্যাত বীৰ লাচিতৰ বীৰত্ব, সাহস তথা আত্মত্যাগৰ কথা আমি যি দৰে প্ৰতিষ্ঠা কৰিব লাগিছিল বিগত 400 বছৰেৰেই হোৱা নাছিল। দুৰ্দান্ত সাহসী যোদ্ধাগৰাকীৰ বীৰত্বৰ তথা ৰণকৌশল উপযুক্তভাৱে প্ৰচাৰ নোহোৱাৰ ফলতেই ছত্ৰপতি শিৱাজী আৰু ৰাণা প্ৰতাপৰ সমকক্ষ হোৱা সত্ত্বেও লাচিত বৰফুকন এক নিৰ্দিষ্ট বৃত্তৰ মাজতেই আৱদ্ধ হৈ থাকিল। বিগত সময়চোৱাত কেৱল 24 নৱেম্বৰত দুই-এটা সংগঠনে লাচিত দিৱস পালন কৰিছিল যদিও সেয়া মহান যোদ্ধাগৰাকীৰ প্ৰতি যাচিবলগীয়া সন্মান পৰ্যাপ্ত নাছিল। সেয়েহে এইবাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে লাচিত বৰফুকনৰ 400 বছৰীয়া জন্মজয়ন্তী পালনৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত লাচিতক প্ৰতিষ্ঠা কৰিবলৈ ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত যি প্ৰচাৰ আৰু বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিলে সেয়া অসমৰ ইতিহাসত লাচিতক লৈ কৰা যিকোনো অনুষ্ঠানৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি ক'বই লাগিব।

নতুন দিল্লীত লাচিতক প্ৰতিষ্ঠা কৰাত সফল হোৱা বুলিয়েই ক'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ পৰা আৰম্ভ কৰি গৃহমন্ত্ৰী অমিত শ্বাহলৈকে সকলোৱে একেমুখে স্বীকাৰ কৰিলে লাচিত বৰফুকনৰ বীৰগাথা। লাচিতৰ প্ৰশংসাত পঞ্চমুখ হ'ল প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰী। যি কথা অসমৰ চাৰিসীমাৰ বাহিৰত ভালদৰে প্ৰচাৰ হোৱা নাছিল সেয়া আজি দেশবাসীয়ে জানিব পাৰিলে মোডী আৰু শ্বাহৰ মুখৰ পৰ নিগৰা শব্দৰাজিৰে। সময়ৰ কাম পূৰ্বৰ চৰকাৰে সময়মতে নকৰা বাবে স্বাধীনতা লাভৰ পিছতো ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উপেক্ষিত হৈ থাকল এনে এগৰাকী মহান বীৰ।

এতিয়া চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া যদি পৰৱৰ্তী পৰ্যায়তো অব্যাহত থাকে তেতিয়া হলে কেৱল দেশৰ চাৰিসীমাতেই নহয়, বিশ্ব দৰবাৰতো প্ৰতিষ্ঠা লাভ কৰিব। যেতিয়ালৈকে দেশৰ প্ৰতিখন ৰাজ্যতেই অসমৰ মহান বীৰগৰাকীৰ বিষয়ে ভালদৰে প্ৰচাৰ কৰা নহয় তেতিয়ালৈকে বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাৰ সপোন সপোনৰ দৰেই হৈ থাকিব। অৱশ্যে এইবাৰ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেই কথাই এটা কথা স্পষ্ট কৰিছে যে এতিয়া আৰু লাচিত থমকি নৰয়। লাচিতৰ ঘোঁৰায় আকৌ দৌৰিছে। এই দৌৰে ভাৰতৰ প্ৰতিটো কোনকেই স্পৰ্শ কৰিব। এইখিনিতে এটা কথা কথা ক'ব খুজিছো যে আমি বছৰটোৰ 364 দিন বহি থাকি কেৱল 24 নৱেম্বৰক মনত পেলালে নহ'ব। বছৰৰ আটাইকেইটা দিনতেই কিবা নহয় কিবা প্ৰকাৰে অনুষ্ঠানৰ মাজেদি লাচিতক জীয়াই ৰাখিব লাগিব। ক'ৰবাত যদি নিতৌ সন্ধিয়া লাচিতৰ জীৱনৰ ওপৰত আধাৰিত জীৱনালেখ্য বা নাটক আদি প্ৰচাৰ কৰা হয় তেতিয়া হলে সকলোৱে নিজৰ সুবিধা তথা ইচ্ছানুযায়ী উপভোগ কৰিব পাৰিব। তেতিয়া দেশ-বিদেশৰ পৰ্যটক সকলেও এইবোৰ উপভোগ কৰি লাচিতৰ সাহস আৰু বীৰত্বৰ বিষয়ে জানিব পাৰিব। নৱ প্ৰজন্মও অধিক আগ্ৰহী হ'ব তেওঁৰ বিষয়ে জানিবলৈ। নতুন প্ৰজন্মই যিমানেই তেওঁৰ বিষয়ে জানিব পাৰিব সিমানেই প্ৰচাৰ আৰু প্ৰসাৰ হ'ব। লাচিতৰ ওপৰত আৰু অধিক গীত ৰচনা হওক। নাটকৰ মাজেদি ৰাইজৰ মাজত সুন্দৰভাৱে উপস্থাপন কৰিব লাগিব। সাহিত্যৰ মাজেদি লাচিত বৰফুকনৰ বিশ্ববাসীৰ মাজত চিনাকী কৰি দিব লাগিব।

আমি ফৰাচী যোদ্ধা নেপোলিয়ন বোনাপাৰ্টৰ কথা কৈ গৌৰৱ বোধ কৰোঁ। নেপোলিয়নৰ বিষয়ে পঢ়োঁ। ফৰাচী সকলেও সদায় নেপোলিয়নৰ কথাকে কয়। বিশ্বৰ প্ৰতিটো প্ৰান্তত নেপোলিয়নৰ বীৰ গাথা প্ৰচাৰ হৈছে। ফৰাচী সকলে এইগৰাকী মহান বীৰৰ প্ৰতিটো দিশেই সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিছে। উপযুক্ত স্থানত সঠিক ৰূপত উপস্থাপন কৰিছে নেপোলিয়ন বোনাপাৰ্টক। এই দৃষ্টিকোণৰ পৰা যদি আমি লাচিত বৰফুকনৰ জীৱন গাথা বিশ্লেষণ কৰোঁ তেতিয়া হলে দেশৰ বিভিন্ন স্থানত লাচিতৰ প্ৰতিমূৰ্তি স্থাপনৰ ব্যৱস্থা কৰিব লাগিব। যি দৰে ব্ৰহ্মপুত্ৰৰ বুকুত লাচিতক সজোৱা হৈছে তেনেদৰে যদি দেশৰ ৰাজধানীতো সজোৱাৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা কৰা হয় তেতিয়াহলে নিশ্চয় সকলোৱে তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিব।

প্ৰতিখন ৰাজ্যতেই লাচিত বৰফুকনৰ নামত একোটা ভৱন নিৰ্মাণৰ পৰিকল্পনা ৰাজ্য চৰকাৰে গ্ৰহণ কৰক। অসম ভৱনৰ নাম লাচিত বৰফুকনৰ নামত যদি নামকৰণ কৰে তেতিয়াও সকলোৱে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ চিণ্ডেৰ লগতে তেওঁৰ মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়ক শেহতীয়াভাৱে অসম ভ্ৰমণ কৰাৰ সময়ত দুয়োখন ৰাজ্যত দুটা ভৱন নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছে। মহাৰাষ্ট্ৰও যদি অসম ভৱন নিৰ্মাণ কৰে তেতিয়া হলে নাম লাচিতৰ নামত ৰাখিলে ছত্ৰপতিৰ সমানেই অসমৰ বীৰগৰাকীৰ নাম উচ্চাৰিত হ'ব। তদুপৰি এনেধৰণৰ গৃহনিৰ্মাণে স্মৃতিচিহ্ন যুগমীয়া কৰিব। এনে গৃহত লাচিতৰ বিষয়ে জানিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰ উপস্থাপন কৰিব লাগিব। ভাৰতৰ প্ৰতিখন ৰাজ্যতেই এনেধৰণৰ ভৱন নিৰ্মাণৰ পৰিকল্পনা দীৰ্ঘম্যাদী হ'বই লাগিব। এইক্ষেত্ৰত সকলোৱে ৰাজনীতিৰ উৰ্দ্ধত থকা উচিত। কাৰণ লাচিত বৰফুকন কোনো এক নিৰ্দিষ্ট জাতিৰ গৌৰৱ নহয়, এয়া অসমীয়া জাতিৰ বাবেই গৌৰৱৰ কাৰণ।

লাচিতক ৰাজনীতিৰ উৰ্দ্ধত ৰাখিব লাগে। যদি আমি মহান বীৰ গৰাকীলৈও বোকা ছটিওৱা খেলৰ মাজত আৱদ্ধ হৈ থাকো তেতিয়া হলে চৰকাৰে যি মহান উদ্দেশ্য লৈ আগবাঢ়িছে সেয়া সফল নহ'ব। এতিয়া সকলোৱে বিতৰ্কৰ উৰ্দ্ধত থাকি লাচিত বৰফুকনক দেশৰ মহান বীৰযোদ্ধাসকলৰ একেটা শাৰীতে প্ৰতিষ্ঠা কৰাৰ চেষ্টা অব্যাহত ৰাখিব লাগিব। কোনোৱে দলীয় ৰাজনীতি নকৰি লাচিতৰ বিষয়ে প্ৰচাৰ আৰু প্ৰসাৰৰ অভিযানত আগুৱাই যোৱা উচিত।

দিল্লীত অনুষ্ঠিত এই

(আঠপৃষ্ঠাত চাওক)


JANASANYOG- 3254/22
Azadi Ka Amrit Mahotsav
বিত্ত বিভাগ
নিয়মীয়াকৈ ঋণ পৰিশোধৰ লগতে বেংক একাউণ্ট সক্ৰিয়
ৰাখি ৰাজ্যৰ অৰ্থনীতি সবল কৰাত অংশীদাৰ হ'বলৈ
মাইক্ৰ'ফাইনেন্স ঋণীসকললৈ
বিনম্ৰ আহ্বান
লোকৰ বিনিষ্ঠা: কভিড-১৯ মহামাৰীৰ সময়ত মাইক্ৰ'ফাইনেন্সৰ ঋণ ঘূৰাই দিয়াত অসমৰ্থ হোৱা ঋণীক সকাহ প্ৰদান কৰা তথা সময়মতে ঋণ পৰিশোধ কৰা সকল ঋণীক কলক উদগনি যোগোৱা কৰ্মসূচী হৈছে প্ৰথমবাৰ ৰাজ্য।
২০২১ চনৰ ২৪ আগষ্টত অসম চৰকাৰে ৩৭টা ঋণ প্ৰদানকাৰী সংস্থাৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১ৰ শুভাৰম্ভ কৰে।
অসম চৰকাৰে ইতিমধ্যে যিসকলে নিয়মীয়াকৈ ঋণ পৰিশোধ কৰিছে তেওঁলোকক প্ৰথম প্ৰকাৰৰ ঋণী হিচাপে চিহ্নিত কৰি তেনে শ্ৰেণীৰ ৯ লাখ হিতাধিকাৰীৰ প্ৰায় ১,৬০০ কোটি টকাৰ উদগনিমূলক ধন আগবঢ়াইছে।
অসম চৰকাৰে দ্বিতীয় শ্ৰেণীৰ (১-৯০ দিন পলম হোৱা) অন্য ১ লাখ হিতাধিকাৰীলৈও ১৭০ কোটি টকাৰ অতিৰিক্ত আৰু উদগনিমূলক ধন প্ৰদান কৰিছে।
দ্বিতীয় প্ৰকাৰৰ ঋণী, যেনে– চাপ হওক তথা ঋণ ঘূৰাই দিয়াত অসমৰ্থ ঋণীলৈ সম্পূৰ্ণ তথা আংশিকভাৱে অনতিপলমে সকাহ প্ৰদান কৰাৰ বাবেও অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।
ৰাজ্যত ঋণ গ্ৰহণ আৰু পৰিশোধৰ এটা আদৰ্শ প্ৰক্ৰিয়া যাতে প্ৰতিষ্ঠা হয় তথা ভাৰতীয় ৰিজাৰ্ভ বেংক নিয়ন্ত্ৰিত প্ৰতিষ্ঠানসমূহৰ পৰা যাতে অধিক ঋণ আহৰণৰ এটা পৰিৱেশ গঢ়ি তুলিব পৰা যায় তাৰ বাবে অসম চৰকাৰৰ এককালীন প্ৰচেষ্টাৰে এই আঁচনি ৰূপায়িত হৈছে।
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
সময়মতে ঋণ পৰিশোধ কৰি ঋণৰ নিয়মানুবৰ্তিতা বজাই ৰাখিবলৈ সকলো ঋণীক আহ্বান জনোৱা হ'ল।
Finance Department | Government of Assam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত Connect with us @diprassam dipr.assam.gov.in

# সত্যৰ প্ৰকাশ

অসত্যৰ অন্ধকাৰ ঘন হৈ পৰে, সত্যৰ অকণো ৰশ্মিও দেখা নাযায়, যেতিয়া সত্য অস্পৃশ্য হৈ থাকে, তেতিয়া ঈশ্বৰৰ সূৰ্য্য উদয় হয় আৰু এই সময়েই ঈশ্বৰ আহি সকলোকে পৰিত্ৰাণ দি আছে। এই সময়ত ঈশ্বৰে নিজেই অৱতৰিত হৈ প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয়া বিশ্ববিদ্যালয়ৰ জড়িয়তে সত্য জ্ঞানৰ প্ৰকাশ কৰি সমগ্ৰ মানব জাতীক নতুন দিগন্তলৈ অৰ্থাৎ নতুন যুগলৈ যোৱাৰ বাবে অনুপ্ৰাণিত কৰি আছে। সেয়েহে, আহক, আমি ঈশ্বৰীয় জ্ঞানৰ জড়িয়তে নিজৰ জীৱনক উজ্জ্বল কৰি তলো।

# লাচিত বৰফুকনৰ

অনুষ্ঠানটোক যদি আমি লাচিতক দেশবাসীৰ মাজত পৰিচয় কৰাই দিয়াৰ আৰম্ভনী বুলি গণ্য কৰো, তেতিয়াহ'লে এই যাত্ৰা পথ আমাৰ বাবে এতিয়াও দীঘলীয়া হৈয়ে আছে। লাচিত বৰফুকন হৈছে জাতিৰ পৰিচয়। অসমীয়াৰ গৌৰৱ। ৰাজধানীত এনেধৰণৰ কাৰ্যসূচী আয়োজন কৰিলে দেশত প্ৰতিটো কোনতেই প্ৰচাৰ হোৱাৰ সম্ভাৱনা থাকে। এইবাৰ দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত উক্ত অনুষ্ঠানত নৱ প্ৰজন্মৰ অংশগ্ৰহণ আছিল চৰ্চাৰ বিষয়। ৰাজ্যৰ বাহিৰত অধ্যয়নৰত প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীৰ লগতে যুৱক-যুৱতী সকলে নতুন দিল্লীৰ বিজ্ঞান ভৱনত সমৱেত হৈ নৱপ্ৰজন্মই লাচিতক সন্মান জনাইছিল। নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ মাজত এনে উৎসাহ দেখা গৈছিল যেতিয়া বৃহৎ বিজ্ঞান ভৱন পৰিপূৰ্ণ হোৱাৰ পিছত আন দুটা ডাঙৰ ভৱনত প্ৰজেক্টৰৰ সহায়ত অনুষ্ঠান দেখুৱাবলগীয়া হৈছিল। বহিঃৰাজ্যত থাকিলেও প্ৰতিটো ক্ষণতেই বীৰ লাচিতৰ প্ৰতি থকা শ্ৰদ্ধাই ইতিবাচক দিশৰেই ইংগিত দিছে। যিখন দেশ বা ৰাজ্যত নৱ প্ৰজন্মই বুৰঞ্জী তথা ইতিহাসকলৈ সদা সতৰ্ক সেইখন দেশ বা ৰাজ্যৰ ইতিহাস সদায় উজলি থাকে। এই সকল নৱ প্ৰজন্মক আমি আৰু ধৰনাহিত কৰি নতুন নতুন পদক্ষেপ ল'ব লাগিব। সেইবাবে এতিয়া লাচিত বৰফুকনৰ বিষয়ে গৱেষণাধৰ্মী নাটক, উপন্যাস, প্ৰবন্ধ আদিৰ লগতে আকৰ্ষণীয় তথ্য সম্বলিত আলোকচিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব লাগে। এই বৰ্ষৰ পৰা আৰম্ভ হোৱা এনে অনুষ্ঠানৰ পৰিষৰ আগন্তুক দিনত আৰু অধিক প্ৰসাৰ হওক। তেতিয়া ভাৰতবাসীয়ে সমস্বৰে ক'ব— জয় লাচিত বৰফুকনৰ জয়।

# "সপোন"

**হেমন্ত কুমাৰ বৰা**




সপোনবোৰে  
ঠন ধৰি  
উঠাৰ সময়তে,  
প্ৰচণ্ড ধুমুহা এজাক  
ভাঙি ঠান-বান  
কৰিলে !  
হেঁপাহৰ কঠিয়াবোৰেই  
কৃষকৰ....  
সেউজীয়া সপোন !  
এইবাৰচোঁন ৰসাল  
কৃষিভূমিবোৰ  
চুনেই থাকিল !!!!  
কৃষকৰ সপোনবোৰ  
পৰিৱৰ্তন হ'ল  
ছন পৰি থকা কৃষিভূমিলৈ.....

# মানৱ অধিকাৰ দিৱস আৰু আধুনিক নাৰীৰ আত্ম বিলাপ

**ববিতা বৰঠাকুৰ, কুৱালগুৰি**




অধিকাৰ আৰু দায়বদ্ধতা দুয়ো বিধেই মানৱ কল্যাণৰ বাবে আৱশ্যকীয়। মানুহ হৈছে সভ্য আৰু যুক্তিবান প্ৰাণী, এই সুবাদতে মানুহে কিছুমান আহস্তানৰিত অধিকাৰ লাভ কৰে আৰু এনে অধিকাৰবোৰেই হৈছে মানৱ অধিকাৰ । ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে গ্ৰহণ কৰা "মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণা" জৰিয়তে মানৱ অধিকাৰ ধাৰণাই পূনাংগ আৰু সুস্থ ৰূপ লাভ কৰে, এই অধিকাৰে ব্যক্তিক এটা সুন্দৰ আৰু সভ্য জীৱন যাপনৰ সুবিধা দান কৰে, আমি পুৰুষ, মহিলা, ধনী নিধনী সকলো মিলি এখন সুন্দৰ সমাজ গঢ় দি ও আহক, আজি এই ১০ ডিচেম্বৰৰ দিনটো মানৱ অধিকাৰ দিৱস হিচাপে উদযাপন কৰি আমি সকলো সমাজৰ মানৱ অধিকাৰ ৰক্ষা কৰাৰ সংকল্প লব পাৰো। আমাৰ চৰকাৰ ব্যৱস্থা, ৰাজনৈতিক দল, সাহিত্য সংস্কৃতি গোষ্ঠী সকলো একত্ৰিত হৈ "মানৱ অধিকাৰ" সমূহ কাৰ্যকৰি কৰিবলৈ চেষ্টা কৰিব লাগিব .... । ডঃ শৰ্মা ছাৰে প্ৰস্তুত কৰি দিয়া মানৱ অধিকাৰ দিৱসৰ ভাষণটো ভালকৈ মুখস্থ কৰি থাকোতেই পৰিল নহয় স্বৰ্গ খন ভাগি মূৰত। কি কম বাৰু, পুৱাই খবৰটো পাই গৰম উঠি গল কাণ, মূৰ। বাঙ্গী লগত মোৰ সামাজিক মযদা, শিক্ষা নিমিলে একো নিমিলে যদিও বাঙ্গী নাহিলে মোৰ মূৰ গৰম হৈ যায়। এইবিলাক মানুহৰ ইমান ফাঁকি ইমান ফাঁকি নহয়, যিমান মৰম নকৰা একো লাভ নাই, সিদিনা দুশ টকা এডভান্স দিছো, তথাপিও কালি ও নাই আজিও নাই, এওঁৰ অফিচ, মোৰ অফিচ, ল'ৰাৰ স্কুল আছে, কি কৰো নহয়, সদায়েই বাঙ্গীয়ে কামবোৰ কৰে মই সাজিকাচি অফিচ যাওঁ, লৰাৰ টিফিন নাই, এওঁ অফিচতে খাব, মইও বিস্কুট দুখন খায় যাব লাগিব। দুদিন ঘৰ সৰা, মোচা নাই, কাপোৰ ধোঁৱা নাই, বেচিনত দম বাচন কাৰণ বাঙ্গী নাই।

আজিকালি অফিচ যাবলৈ মনেই নোযোৱা হৈছে, মাহৰ দৰৰ্মহালৈ বাট চাব লাগে, মেডিয়াৰ মানুহ কেইটা, সংগঠনৰ চকুচৰাহা কেইটাৰ পৰা হাত খৰছ টো নোলোৱা হল, সাধাৰণ ৰাইজেও বৰ বেছি সচেতন হল, কেমেৰা থকা মোবাইলটো সাধাৰণ লোকে ব্যৱহাৰ কৰাৰ পৰা বাহিৰৰ পৰা অহা পইচা কেইটাৰ বাট মৰিল। ঘৰত ইমান কাম, কাম মানে এই "এফ বি, হোৱাট আপট" ষ্টেটাছ বোৰ চেক কৰা, নিজৰ ফটো আপলোড কৰা, অন লাইনত কি কি অফাৰ আহিছে সেইবোৰ চাই অৰ্ডাৰ কৰা, বাঙ্গীয়ে বনোৱা পিঠা-পনা বোৰ আপলোড কৰাৰ পিছত কিমান যে লাইক, কমেণ্ট পাইছো পৰীক্ষা কৰা, বাঙ্গীয়ে বনোৱা আচাৰ দি মই সিদিনা মহিলা সমিতিৰ পৰা প্ৰথম পুৰস্কাৰ পালো, কিমান কাম মোৰ, মূৰ টো গৰম উঠি যায় আজি বাঙ্গী নাই । বাঙ্গীয়ে মাছৰ টেঙা আঞ্জা খন বৰ সোৱাদ লগাকৈ বনাই, মুচন্দৰী, মানিমুনি, ভেদাইলতাৰ জুতি লগাকৈ বনাই খুৱাই আমাৰ এওঁক তাই একেবাৰেই বেয়া কৰি পেলালে অ, এফালে লৰাটোৰে বাঙ্গী নহলে নহয়, কেৱল বাঙ্গী, বাঙ্গী । জন্মদিলো মই কিন্তু লালন-পালন বাঙ্গী, পেন্দুকণাৰ পৰা আজিলৈকে নিজৰ সন্তানৰ দৰে বাঙ্গীয়ে মৰম কৰি আহিছে, কেতিয়াবা ভাবো এগৰাকী নাৰী কিমান স্নেহ, মমতাৰ গৰাকী হলে পাৰে প্ৰচাৰ-পায়খানা ধুৱাই ডাঙৰ কৰিব শিশুক, তাইৰ আত্মীয়তা ৰ মাধুৰ্যত থাকে হাঁহি আৰু আনন্দৰ ভাগ-বটোৱাৰা। আমাৰ দুঃখ আৰু অভাৱ, বেমাৰ আৰু যন্ত্ৰণাৰ দিনতে নহয় বাঙ্গজনীয়ে ভগৱানক প্ৰাৰ্থনা কৰিব পাৰে আমাৰ আনন্দ আৰু প্ৰাচুৰ্য ৰ সময়তো, বাবাৰ পৰীক্ষা, এওঁৰ প্ৰমোচনত ভগৱানৰ ওচৰত চাকি জ্বলাবলৈ তাই কেতিয়াবা মোৰ পৰা দুই এটকা খুচুৰা বিচাৰে। ভাব হয় মোৰ বাঙ্গী যেন এজোপা উদ্ভিদৰ শান্তি বীজ, বতাহ আৰু বৰষুণ চাই সিঁচি দিয়ে ঘৰে ঘৰে, বাঙ্গী সফল আৰু সুখী নাৰী যি অনিবাৰ্য দুৰ্দশাক জয় কৰি দুখ আৰু হতাহাবোৰক সুখ আৰু আশালৈ ৰূপান্তৰিত কৰিছে, ঘৰে ঘৰে খোৱা বাচন, মলিয়ন কাপোৰ ধুই ভাগৰি নপৰে এই বাঙ্গী। তাই "স্বচ্ছ অভিযান" কি নাজানে, কিন্তু বাঙ্গীৰ হাতৰ পৰশতে এখন ঘৰ, এটা কাৰ্যলয়, চিকিৎসালয় সুন্দৰ হৈ থাকে। গোলকীয় উষ্ণতা বৃদ্ধি, বনজুই, বায়ু প্ৰদূষণ, সেউজীকৰণ বাঙ্গীৰ বাবে সাঁথৰ, কিন্তু প্ৰতিটো পৈণত ফচলৰ গুটি বাঙ্গীয়ে সংৰক্ষণৰ কিটিপ জানে, ৰদ বৰষুণ চাই গুটি সিঁচি ফচল লগাই উপহাৰ দিয়ে আমাক। আমাৰ ঘৰৰ সেমেকা বিস্কুট, বাহী ৰুটি বাঙ্গীয়ে টোপোলা বান্ধে তাইৰ বাৰীৰ শালিকা, ঘন চিৰিকা কেইটালৈ। অ আ, ক, খ একো নজনা বাঙ্গজনীয়ে আমাৰ দৈনিক কাককতবোৰ লিৰিকি বিদাৰি থাকে, কিতাপৰ গোন্ধ হেনো বৰ প্ৰিয় বাঙ্গীৰ। বিজ্ঞান প্ৰযুক্তি জ্ঞান নথকা বাঙ্গীয়ে সকলো উন্নত যন্ত্ৰ চলাব কেনেকৈ জানে বাৰু । সন্তীয়া ভেম এটাই আমাৰ জীৱনৰ সৰল আনন্দক কাঢ়ি নিছে, ভোগবাদী পৃথিৱী খনত খোজ থৈ আমাৰ অনুভৱ, অনুভূতিক কবৰ দিলো । বাট্ৰাণ্ড ৰাছেলৰ মতে, " যি মানুহ আত্ম মগ্ন অথবা স্বাৰ্থপৰ, যি মানুহে নিজকে বেছি ভাল পায় তেওঁ কেতিয়াও সুখী হব নোৱাৰে" হয় মোৰ দৰে, মই কেতিয়াও বিচৰা নাই তাই ছোৱালীজনী মোৰ জনীৰ দৰে শিক্ষিত হওক, লৰাটো বিজ্ঞান বিষয়ত পাৰ্গত হওক, কাৰণ মই স্বাৰ্থপৰ। মোৰ ভয় হয় তাইৰ সন্তান শিক্ষিত হলে মই কামকৰা মানুহজনীক হেৰুৱাম । বাঙ্গী শিক্ষিত, জ্ঞানী, আধুনিক হোৱাটো মই নিবিচাৰো কাৰণ মই স্বাৰ্থপৰ। সিদিনা বৰুৱানীৰ পুতেকে তাইক হেনো বেয়া দৃষ্টিৰে চালে, সৰুৰে পৰা কোচত লৈ ডাঙৰ কৰা লৰাটোৰে তাইক দিয়া দৃষ্টিত দুখ কৰিছে, মই স্পষ্টকৈ তাইক কলো, বাইক ষ্টান কৰা, মৰ্দাৰণ ডেন্স কৰা ল'ৰাটো এনে হবই নোৱাৰে, কাৰণ বৰুৱানী আমাৰ ক্লাৱৰ সভানেত্ৰী, নাৰী নিৰ্যাতন, ধৰ্ষণ, যৌতুক প্ৰথাৰ বিৰুদ্ধে মই আনৰ চকুপানী ওলাই যাব পৰাকৈ ভাষণ দিব পাৰো, কাৰণ এই ভাষনবোৰ মই প্ৰস্তুত নকৰো, আনে লিখি দিয়া কথাবোৰ চিঞৰি চিঞৰি মানুহক উত্তেজিত কৰো, কিতাপ পঢ়ি, নাৰীৰ দুখ বেদনা বুজি এইবোৰ কৰাৰ মোৰ সমূলি ইচ্ছা নাই, কেৱল অহাবাৰ নিৰ্বাচনৰ টিকট এটা চকী এখনৰ বাবে এইবোৰ অলপ কৰিবই লাগিব। সিদিনা টেবুলৰ পৰা টকা এহেজাৰ হেৰাল, পোনপটীয়া উত্তৰ বাঙ্গীয়ে নিছে, কাৰণ তাইৰ পেট খালি, মোনা খালি। বিবেচনা কৰিবলৈ সময়

( বাৰপৃষ্ঠাত চাওক)

# অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ বৰ্তমান আৰু ভৱিষ্যৎ.....

এই যুৱচামে অসমীয়া ছবিৰ খবৰ ৰাখেনে? অসমীয়া ছবি চাবলৈ এনেদৰে আগ্ৰহ কৰেনে? কিয় অসমীয়া ছবিয়ে যুৱচামক প্ৰ্যঁনতমভাৱেও আকৰ্ষণ কৰিব পৰা নাই? এই সম্পৰ্কত চিন্তা-চৰ্চাৰ প্ৰয়োজনীয়তা নিশ্চয় আছে। এগৰাকী সাধাৰণ দৰ্শক হিচাপে অসমীয়া ছবি উদ্যোগৰ এই দুৰৱস্থাৰ কিছুমান বিশেষ কাৰণ আৰু সেয়া নিৰাময়ৰ কিছু দিশ এই লেখাত আলোচনা কৰিব বিচৰা হৈছে।

ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে হয়তো আঞ্চলিক ভাষাৰ ছবিৰ আমাৰ অসমৰ নিচিনা দুৰৱস্থা হোৱা নাই। কথা হ'ল, বৰ্তমান সময়ত যুগৰ পৰিবৰ্তনৰ সমান্তৰালকৈ মানুহৰ ৰুচিবোধৰো পৰিবৰ্তন হৈছে। বহুশ কোটি টকা ব্যয়ৰে অত্যাধুনিক কাৰিকৰী কৌশল, কেমেৰাৰ ব্যৱহাৰ, গ্ৰাফিক্স, ভিএফ.এক্সৰ ব্যৱহাৰেৰে নিৰ্মাণ কৰা বলিউদৰ ছবি এখন বা দক্ষিণাত্যৰ ছবি এখন ছোৱা এজন দৰ্শকে নিশ্চিতভাৱে অসমীয়া ছবি এখনতো তেনেধৰণৰ স্বাদ বা তেনে কলা-কৌশল বিচাৰিব। কিন্তু কেইখন অসমীয়া ছবিত এনেধৰণৰ অত্যাধুনিক কাৰুকাৰ্য ব্যৱহাৰ হৈছে? অসমীয়া ছবিত বলিউদী মছলাৰ ব্যৱহাৰেইবা কিমান? সকলোতকৈ ডাঙৰ কথা, অসমীয়া চিনেমা ইমানেই মন্থৰ গতিৰ যে আধুনিক প্ৰযুক্তিৰে নিৰ্মিত হিন্দী ছবি ছোৱাত অভ্যস্ত যুৱচামক কোনো কাৰণতে আকৰ্ষিত কৰিব নোৱাৰে। বিশেষভাৱে আমাৰ একাংশ অভিনেতা-অভিনেত্ৰীৰ অভিনয়ৰ নতুনত্বহীন একঘেয়ামীয়তাৰ বাবে অসমীয়া ছবিয়ে দৰ্শকক যে আকৰ্ষিত কৰাত ব্যৰ্থ হৈছে, সেয়া অপ্ৰিয় হ'লেও সত্য। আজি বলিউদ বা দক্ষিণ ভাৰতৰ অভিনেতা-অভিনেত্ৰীসকলে বছৰটোত যদি পাঁচখনকৈয়ো ছবি কৰে, প্ৰতিখনতে সম্পূৰ্ণ পৃথক পৃথক চৰিত্ৰত পৃথক পৃথক অভিনয়শৈলীৰে আত্মপ্ৰকাশ কৰে। দৰ্শকে নতুনত্বৰ সোৱাদ পায়। কিন্তু আমাৰ অসমীয়া অভিনেতা এজনৰ প্ৰতিখন ছবিতে একেই অভিনয়শৈলী। সংলাপ প্ৰক্ষেপণৰ ক্ষেত্ৰতো সেই একে প্ৰকাশভংগী, শৰীৰৰ প্ৰকাশভংগী (বডী লেংগুৱেজ)ৰো একেধৰণৰ ৰূপতে বছৰ বছৰ ধৰি দৰ্শকে দেখি আহিছে। নতুনত্ব বুলিবলৈ একো নাই । আজি দৰ্শকসকলে প্ৰায় সংখ্যক ছবিৰে একেধৰণৰ কাহিনী, একেকেইজন অভিনেতা, অভিনেত্ৰীৰ সেই একেই একঘেয়ামী অভিনয়, সাজসজ্জা, খোজ-কাটল, অভিব্যক্তি, একেধৰণৰ সংলাপ প্ৰক্ষেপণ, নতুনত্বহীন দৃশ্যসজ্জাৰ ছবি চাবলৈ ইচ্ছা নকৰাটো স্বাভাৱিক। এনেকুৱা হ'লে কিদৰে চলিব অসমীয়া চিনেমা? দৰ্শকসকলৰ ৰুচি কি, তেওঁলোকে কিধৰণৰ ছবি বিচাৰে তাক গুৰুত্ব নিদিয়ে ছবি নিৰ্মাতাসকলে। ফলাফল কি, সেয়া হাতে হাতে পায়। তাৰ পাছতো কোৱা হয় ৰাইজে অসমীয়া ছবি নেচায় বুলি। কিয় চাব? অসমীয়া হ'ল বুলি ৰুচিহীন, নতুনত্বহীন ছবি এখন কিয় চাব? অকল অসমীয়া চেন্টিমেণ্টৰে অসমীয়া ছবি চলিব জানো? কাহিনী যিমানেই শক্তিশালী নহওক, তাত মনোৰঞ্জনৰ সমলবোৰ যদি নাথাকে, অত্যাধুনিক কেমেৰাৰ ব্যৱহাৰ, গ্ৰাফিক্স, ভিএফএক্সৰ ব্যৱহাৰ যদি নহয়, একশ্বন, ৰোমাঞ্চ, থ্ৰীলাৰ সকলোবোৰ যদি নাথাকে, হিন্দী ছবি, বাংলা ছবি বা দক্ষিণাত্যৰ ছবিৰ সৈতে ফেৰ মাৰিব পৰা নহ'লেও অন্ততঃ সেই ছবিসমূহৰ কাষ চাপিব পৰাকৈয়ো যদি মনোৰঞ্জন বা অত্যাধুনিক সমলবোৰ নাথাকে, যুৱচাম বা আন দৰ্শকক আজি ছবিঘৰলৈ নিব নোৱৰাটো একো ডাঙৰ কথা নহয়। আজিৰ অসমৰ যুৱচামে নিশ্চিতভাৱে এণ্টাৰটেইনমেণ্ট বিচাৰে। আজি চহৰৰ কথা বাদেই দিছোঁ, গ্ৰামাঞ্চলৰ সাধাৰণ ল'ৰা-ছোৱালী, গৃহিনী সকলোৱে প্ৰতিদিনে টেলিভিছনত হিন্দী চিৰিয়েল, চিনেমা চায়, ইউটিউবত অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মিত বলিউদ-হলিউদৰ শেহতীয়া ছবিবোৰ চায়। এইবিলাকত তেওঁলোক অভ্যস্ত হৈ পৰিছে। গতিকে অসমীয়া ছবিৰ নিৰ্মাতাসকল দৰ্শকৰ ৰুচিৰ প্ৰতি সচেতন হোৱা অতি প্ৰয়োজনীয়। গুণগত আৰু কাৰিকৰী মান বৃদ্ধিৰে সুস্থ চিন্তা-চৰ্চাৰে অসমীয়া ছবি নিৰ্মাণৰ জৰিয়তে হিন্দী চিনেমাৰ লগত বাণিজ্যিক প্ৰতিযোগিতাত নামি পৰাটো আজি নিতান্তই প্ৰয়োজন হৈ পৰিছে। হিন্দী চিনেমাৰ বাণিজ্যিক ক্ষেত্ৰ আৰু বিত্তীয় বাজেট অসমীয়া ছবিতকৈ বহু বৃহৎ। এইক্ষেত্ৰত হিন্দী চিনেমাৰ লগত বাণিজ্যিক দিশত ফেৰ মৰাটো সহজসাধ্য নহয় যদিও গুণগত দিশত আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে আমি অসমীয়া ছবিকো দৰ্শকৰ কাষ চপাই নিবলৈ সক্ষম হ'ব পাৰিম। এই ক্ষেত্ৰত ছবিত গুণগত দিশৰ লগতে বিনোদনৰ সমলখিনিও পূৰামাত্ৰাই থাকিব লাগিব। লগতে ছবি এখন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় বাজেট বা বিনিয়োগ কৰা ধন বৃদ্ধি কৰিব লাগিব। খৰচ কৰিব লাগিব। ৰিস্ক ল'ব লাগিব। আজিৰ তাৰিখত সীমিত বাজেটেৰে বা বাৰ-পোন্ধৰ লাখ টকাৰে কাৰিকৰী প্ৰযুক্তিসমৃদ্ধ ছবি এখন নিৰ্মাণ কৰাটো সম্ভৱ নহয়। বলিউদ বা দক্ষিণৰ একোখন ছবিত এশ কোটিৰ ঘৰত খৰচ কৰি অত্যাধুনিক প্ৰযুক্তিৰ চমকৰে ছবি নিৰ্মাণ কৰে। সেইদৰে গুণগত মানো ৰক্ষা পৰে। সেইমতে দৰ্শক পায়। দৰ্শকে বিনোদনৰ প্ৰয়োজনীয় সকলো সমল বিচাৰি পায়। আঁকোৰালি লয়। খৰচ হোৱা ধন উভতি আহে। অসমীয়া ছবিত সেই পৰ্যায়ৰ নোৱাৰিলেও ছবি নিৰ্মাতাসকলে বাজেটৰ দিশত বিশেষভাৱে গুৰুত্ব দিয়াটো আজিৰ তাৰিখত নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে। তদুপৰি ছবি এখন জনপ্ৰিয় হোৱাৰ আটাইতকৈ ডাঙৰ দিশ হ'ল প্ৰচাৰ। আজি বহু ছবি আহিছে, গৈছে- আমি বহুতে গমেই নাপাওঁ। প্ৰচাৰৰ দিশটোত ছবি নিৰ্মাতাই গুৰুত্ব যিমান গুৰুত্ব দিব লাগে, নিদিয়ে। ফলত এখন ভাল ছবিয়েও প্ৰচাৰৰ অভাৱত দৰ্শক নাপায়। দুদিন বা এদিন চলি বন্ধ হৈ যায়। সংবাদ মাধ্যমেও এই দিশত বিশেষভাৱে গুৰুত্ব দিয়াটো অতি প্ৰয়োজন। এইসমূহ দিশেই নিশ্চিতভাৱে অসমীয়া ছবি উদ্যোগৰ বিকাশৰ পথত হেঙাৰ হৈ থিয় দিছে। সম্প্ৰতি বহু কেইগৰাকী প্ৰতিভাবান যুৱ পৰিচালকে আত্মপ্ৰকাশ কৰিছে। বহু নতুন মুখৰ অভিনয় শিল্পীৰো আত্মপ্ৰকাশ ঘটিছে। নতুন চিন্তা, নতুন সোৱাদৰে ছবি নিৰ্মাণ কৰিবলৈ লৈছে। উচ্চমানৰ ভালেকেইখন ছবি নিৰ্মাণ হৈছে। ই নিশ্চয়কৈ এক আশাব্যঞ্জক খবৰ। তথাপি আশা কৰা মতে 'ভাল দিন' ঘূৰি অহা নাই। বাণিজ্যিকভাৱে প্ৰ্যঁনতম সফলতাৰ মুখ নেদেখিলে প্ৰতিভাৱান যুৱ পৰিচালক, ছবি নিৰ্মাতাই পৰৱৰ্তী ছবি এখন কৰাৰ সাহস গোটাব নোৱাৰে। দৰ্শকে যদি ছবিখন আঁকোৱালি নলয়, কি সাহসত পৰৱৰ্তী ছবি এখন কৰিবলৈ আগবাঢ়ি আহিব?

অসমীয়া ছবি উদ্যোগৰ বিকাশৰ বাবে আজি বিশেষভাৱে প্ৰয়োজন হৈছে চৰকাৰৰ সদিচ্ছা। অসমীয়া চিনেমাৰ বিকাশ আৰু ছবি নিৰ্মাণ কাৰ্যক উৎসাহিত কৰিবৰ কাৰণে ৰাজ্য চৰকাৰে যি আমোদকৰ ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে, ই এক শুভবাৰ্তা আৰু ইতিবাচক দিশৰ ইংগিত বহন কৰিছে। আনহাতে ৰাজ্যখনৰ একমাত্ৰ ফিল্ম ষ্টুডিঅ 'জ্যোতি চিত্ৰবন'ক বৰ্তমানেও এটা অত্যাধুনিক প্ৰযুক্তিসমৃদ্ধ পূৰ্ণাংগ ফিল্ম ষ্টুডিঅ' ৰূপে নিৰ্মাণ কৰিবগৈ পৰা নাই। এই দিশত চৰকাৰী পদক্ষেপৰ বিশেষ প্ৰয়োজন। অসমীয়া ছবি নিৰ্মাণৰ বাবে চৰকাৰী বেংকিং আৰু অন্যান্য বিত্তীয় ক্ষেত্ৰৰ পৰা ঋণ বা বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা এতিয়াও আমাৰ ৰাজ্যত সহজলভ্য হৈ উঠা নাই। চলচ্চিত্ৰ প্ৰযোজনাৰ ক্ষেত্ৰত অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ শেহতীয়া স্থিতি অৱশ্যে শলাগিবলগীয়া। শেহতীয়া বহুকেইখন ছবি প্ৰযোজনাৰ বাবে আগবাঢ়ি আহি নিগমে ছবি নিৰ্মাণৰ দিশত আশাৰ সঞ্চাৰ কৰিছে। অসমীয়া ছবি উদ্যোগৰ বিকাশৰ বাবে আজি প্ৰধানভাৱে প্ৰয়োজন হৈছে ছবিগৃহ নিৰ্মাণৰ। আজি অসমৰ গ্ৰাম্য অঞ্চলৰ লগতে বহুকেইখন মফচলীয় চহৰত চিনেমা হল নাই। ফলত গ্ৰামাঞ্চলৰ দৰ্শকে আগ্ৰহ থকা সত্বেও অসমীয়া ছবি এখন চাব নোৱাৰে। এই দিশৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ প্ৰতিখন জিলাৰ নগৰ-চহৰৰ লগতে চহৰৰ পৰা দূৰৈত অৱস্থিত গ্ৰামাঞ্চলক সামৰি একাটাকৈ সৰু-বৰ ছবিগৃহ, মিনি চিনেমা হল আদি নিৰ্মাণ কৰিলে অসমীয়া ছবি উদ্যোগৰ বিকাশৰ গতিটো অধিক ক্ষিপ্ৰতৰ হ'ব বুলি আশা কৰিব পাৰি।

# আলোচনা আৰু সমালোচনা

সংযুক্তা দত্ত
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়



এই শব্দ দুটা মানুহৰ মুখত বহুত শুনো আমি। মানুহ সমাজ প্ৰিয়। মানুহে এখন সমাজত থাকি ভাল পায়। এই সমাজ পাতি বাস কৰি থকা মানুহৰ মুখত দুটা শব্দ - আলোচনা আৰু সমালোচনা। কাৰোবাক লৈ মানুহেই আলোচনা কৰে আৰু আন কৰোৱাক লৈ মানুহেই সমালোচনা কৰে। এই আলোচনা আৰু সমালোচনা কেতিয়াবা ভালো হ'ব পাৰে আৰু কেতিয়াবা বেয়াও হ'ব পাৰে। আপোনাক লৈ যিয়ে ভালকৈ আলোচনা কৰে তেওঁক হয়তো আপুনি বহুত ভাল পায়। আৰু আমি সকলোৱে আমাক লৈ যিয়ে সমালোচনা কৰে তেওঁক টো আমি সকলোৱে বেয়া পাওঁ। হয় বেয়া পাবও লাগে। কাৰণ তেওঁ কামেই কৰে আমাৰ অন্তৰত দুখ দিয়া। আমাৰ অন্তৰত যিয়ে দুখ দিয়ে আমি জানো তেওঁক ভাল পাব পাৰোঁ। কিন্তু ভাল পাব লাগে। আপোনাক লৈ আলোচনা কৰা জনক যিমান ভাল পায়। আপোনাক লৈ সমালোচনা কৰা জনকো এবাৰ ভাল পায় চাব চোন। সদায় কিমান নিজৰ ভালটো শুনিব কেতিয়াবা কিন্তু নিজৰ বেয়াটোও শুনিব লাগে। কোনোবাই আপোনাক লৈ সমালোচনা কৰিলে গুৰুত্ব কেতিয়াও নিদিব। যদিহে আপুনি জানে আপুনি শুদ্ধ বুলি। তেতিয়া দেখিব আপোনাক লৈ কৰা সমালোচনাই আপোনাৰ অন্তৰত কেতিয়াও দুখ দিব নোৱাৰে। সমালোচনা কৰা ব্যক্তিক ভাল পাবলৈ শিকক। কাৰণ - আজি হয়তো আপুনি যিটো স্থানত আছে সেই স্থান কিন্তু সমালোচনা কৰা ব্যক্তিকেইজনে পাব পৰা নাই। আৰু নিজৰ লক্ষ্যত থিয় হৈ এবাৰ ধন্যবাদ দিব সেই সকলক যিয়ে এসময়ত সমালোচনা কৰিছিল। তেতিয়া কৰা সমালোচনাৰ কাৰণেই এদিন আপুনি সকলোৱে আলোচনাৰ ব্যক্তি হৈ পৰিব।

# নপঢ়ো যিখন গ্ৰন্থ-নাম " গান্ধীজীৰ অপকৰ্ম"

ফখৰুদ্দিন আহমেদ




গান্ধী আৰু গান্ধীজী শব্দ দুটিৰ মাজত প্ৰাৰ্থক্য আছে। গান্ধী কোনো মানুহৰ উপাধি হ'ব পাৰে কিন্তু গান্ধীজী বুলি উল্লেখ কৰিলে ভাৰতবৰ্ষৰ দৰে বিশাল উপমহাদেশত এগৰাকী ব্যক্তিকেই বুজাই তেখেত হৈছে মোহন দাস কৰম চান্দ গান্ধী। যি গৰাকী ব্যক্তিক ভাৰত কিয় বিশ্ববাসীয়ে মাহাত্মা, বাপুজী ইত্যাদি বিভূষণেৰে বিভূষিত কৰিছে। নিজৰ মাতৃভূমিৰ স্বাধীনতা তথা দেশবাসীৰ হৃত অধিকাৰ সাব্যস্ত কৰাৰ বাবে উৎকৰ্ষিত এক মহাজীৱনৰ অনন্য নাম। ব্যক্তিগত কাৰণত মঙ্গলদৈ চহৰৰ কিতাপ বাইণ্ডিং কৰা এটি প্ৰতিষ্ঠানত গ্ৰন্থৰে পুৰ্ণ হৈ থকা এটি আলমিৰা দেখি উৎসুকতাৰে এফালৰ পৰা চাই গ'লো তাত থৈ দিয়া গ্ৰন্থবোৰ আৰু নামবোৰ। কাৰণ আলমিৰাটো তলা মাৰি থোৱা অৱস্থাত আছিল। আলমিৰাটোৰ পৰা কোনো এখনো গ্ৰন্থ উলিয়াই পঢ়াৰ সুযোগ নাছিল। নামবোৰ পঢ়ি গৈ থকা অৱস্থাতে এটি নাম দেখি মোৰ চকুহাল থৰ হৈ ৰৈ গ'ল। গ্ৰন্থখনিৰ নাম হ'ল "গান্ধীজীৰ অপকৰ্ম" আৰু লিখক হৈছে জনৈক ডঃ অলোককৃষ্ণ চক্ৰৱৰ্তী। লিখক জনৰ সম্পৰ্কত মোৰ জ্ঞানৰ ভৰালো শূণ্য। পিছে গ্ৰন্থখনি দেখাৰ পিছত বহুতো কথাই মোৰ মনটো চেবাই গ'ল। আমাৰ দেশ ভাৰতবৰ্ষ সাংস্কৃতিক ভাবে বহু হাজাৰ বছৰীয়া ঐতিহ্যৰে মহিমামণ্ডিত। কিন্তু সাম্প্ৰতিক সময়ত আমাৰ ৰাজ্য অসম আৰু দেশ ভাৰতবৰ্ষত ৰাজনৈতিক ভাবে আৰু সাম্প্ৰদায়িক ভাবে এক অস্থিৰ বাতাবৰণে বাৰুকৈয়ে গা কৰি উঠিছে। বিশ্বৰ এখনি বৃহত্তম গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষত বহুতো আঞ্চলিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজনৈতিক দল আছে। দেশৰ উন্নয়ণ কৰি জনপ্ৰিয় হোৱাতকৈ ধৰ্মীয় বিদ্বেষ মূলক ভাৱাদৰ্শ বিয়পাই দি দেশৰ জনতাৰ মাজত বিভেদৰ সৃষ্টি কৰি বৃটিছৰ " ডিভাইন এণ্ড ৰুল " নীতিৰে দেশ শাসনৰ ফন্দী কৰাত ব্যস্ত প্ৰায়বোৰ ৰাজনৈতিক দল আৰু কিছু সংখ্যক বিখ্যাত ব্যক্তিয়ে ধৰ্মীয় আবেগত আঘাত লগা বক্তব্যৰে অসাংবিধানিক ৰূপত জনসাধাৰণৰ মাজত পাৰস্পৰিক অবিশ্বাসৰ এক জটিল পৰিস্থিতি সৃষ্টি কৰাত ব্যস্ত থকা দৃষ্টিগোচৰ হৈ আহিছে। দেশৰ সংবিধানক উলাই কৰা এনে কুকৰ্মত লিপ্ত ব্যক্তি সকলৰ ক্ষেত্ৰত সাংবিধানিক ভাবে কোনো ধৰণৰ উচিত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নোহোৱাত ভিতৰি ভিতৰি সৃষ্টি হোৱা অৰাজক পৰিবেশে সাধাৰণ জনতাক সন্ত্ৰস্ত কৰি ৰাখিছে। ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক পৰিস্থিতিত ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত বহুতো চৰিত্ৰৰ আবিৰ্ভাৱ কৰোৱাই ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ মুখ্য পথ প্ৰদৰ্শক মহামানৱ মহাত্মা গান্ধীক উলাই কৰি চলিবলৈ উৎসাহিত হৈ পৰিছে এচাম নাগৰিক। এনে ধৰণৰ চিন্তা চৰ্চাৰ ফচলেই হৈছে এইখন গ্ৰন্থ। আন ৰাজনৈতিক দল কিছুমানৰ দৰে ভাৰতীয় জাতীয় কংগ্ৰেছ দলো হৈ পৰিছে নীতি আৰু আদৰ্শ বিবৰ্জিত এটি প্ৰধান ৰাজনৈতিক দল। অতীতলৈ ঘুৰি চালে দেখা যায় যে ইং ১৮৮৫ চনত জন্ম লাভ কৰা এই দলটোৰেই ভাৰতীয় স্বাধীনতা সংগ্ৰামক ঐক্যবদ্ধ ভাবে আগুৱাই নি দেশৰ জনতাৰ ত্যাগ আৰু পৰিশ্ৰমৰ বহু প্ৰতীক্ষাৰ অন্তত ভাৰতবৰ্ষক ইংৰাজ সকলৰ কবলৰ পৰা স্বাধীন কৰিছিল। এই ঐতিহাসিক ৰাজনৈতিক দলটিৰ অন্যতম কৰ্মী আছিল মহামানৱ মহাত্মা গান্ধী। যাক দেশবাসীয়ে বাপুজী, পিতাজী, জাতিৰ পিতা, মহামানৱ ইত্যাদি উপাধিৰে সম্বোধন কৰিছিল। আজীৱন ভাৰতবৰ্ষৰ স্বাধীনতাৰ কাৰণে জীৱন উচৰ্গা কৰা এই ব্যক্তি গৰাকীকো নাথুৰাম গডচে নামৰ এগৰাকী ভাৰতীয়ই ইং ১৯৪৮ চনত গুলিয়াই হত্যা কৰিছিল। মহামানৱ মহাত্মা গান্ধীক গুলিয়াই হত্যা কৰি অখ্যাত নাথুৰাম কেই মুহূৰ্তমানৰ ভিতৰতে বিখ্যাত হৈ পৰিছিল কেৱল ভাৰতত নহয়, সমগ্ৰ বিশ্বত। সাম্প্ৰতিক সময়ত সেই নাথুৰাম গডচেক পূজা কৰা মানুহৰো অভাৱ নাই ভাৰতবৰ্ষত আৰু মহামানৱ মহাত্মা গান্ধী প্ৰকৃততে দেশৰ শত্ৰুহে আছিল বুলি প্ৰতিপন্ন কৰিবলৈ যত্নৰ ত্ৰুটি নকৰা মানুহৰো অভাৱ নাই এই ভাৰতবৰ্ষত।

মহামানৱ মহাত্মা গান্ধীয়ে সমসাময়িক ভাৰতীয় সকলৰ নিৰাপত্তা আৰু অধিকাৰ সুনিশ্চিত কৰিবলৈ বিদেশতো প্ৰতিবাদ সাব্যস্ত কৰাৰ অলেখ নজিৰ আছে। সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষত ৰাজনৈতিক প্ৰচ্ছায়াত গঢ় লৈ উঠা উগ্ৰ সাম্প্ৰদায়িকতাবাদৰ ফচল হৈছে এই জাতীয় গ্ৰন্থবোৰ আৰু কৰ্মবোৰ। জাতি, ধৰ্ম, সম্প্ৰদায়, ভিন্ন সমাজ ব্যৱস্থা নিৰ্বিশেষে সাম্প্ৰতিক সময়লৈ কোনোবাই ভাৰতবাসীক একক আৰু সু নেতৃত্ব দি কৃতকাৰ্য হ'ব পাৰিছে সেই জনেই হ'ব জাতিৰ পিতা, মহামানৱ মহাত্মা গান্ধী। অসমীয়াত এষাৰ আপ্তঃ বাক্য আছে "শিলত চিকুটিলে নখহে ক্ষয় হয়"। পিছে এনে ধৰণৰ গ্ৰন্থ লিখাৰ লেখীয়াকৈ হৈ থকা নেতিবাচক কাম কাজবোৰৰো যে গুৰি ডাঠ পৃষ্ঠপোষক আছে সেয়া ধ্ৰুব সত্য। কিন্তু মহামানৱ মহাত্মা গান্ধী, মহামানৱ হৈয়েই থাকিব। এই লেখীয়া কৰ্ম কাণ্ডত জৰিত ব্যক্তি সকল যে ভাৰতীয় জনতাৰ মনত, ভাৰতীয় ইতিহাসত কলংকিত হৈ ৰ'ব সেয়াহে প্ৰকৃত সত্য।

## অকণিলৈ বুলি

# গ্ৰন্থৰ কথা

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



"জ্ঞানৰ সঞ্চয়ে পোহৰ বিলাই, মনৰ নেদেখা কুন্ধিবোৰত।" কবিতা ফাকি তোমালোকৰ কোনো কোনোৱে পঢ়িবলৈ পাইছা নিশ্চয়! ষষ্ঠ শ্ৰেণীৰ অসমীয়া পাঠৰ কবি নীলমণি ফুকনৰ কবিতা 'সঞ্চয়' নামৰ কবিতাটিৰ পৰা লোৱা হৈছে। কবিতাটিত কোৱা জ্ঞান সঞ্চয় আমি ক'ৰ পৰা কৰিব পৰা যাব বাৰু! গ্ৰন্থৰ পৰাই নহয়নে বাৰু! সাধাৰণতে কুন্ধি শব্দই নাৰৰ আন্ধাৰ কোঠা বুজাই যদিও ইয়াত গ্ৰন্থ অধ্যয়ন কৰি আমি যি জ্ঞান আহৰণ কৰোঁ সেই জ্ঞানে মনৰ আন্ধাৰ দুৰ কৰাৰ কথা কোৱা হৈছে।

গ্ৰন্থ ওলোৱাৰ আগতে মানুহে জ্ঞান কেনেকৈ সঞ্চয় কৰিছিল জানানে? মানুহৰ মুখে মুখে বাগৰি আহিছিল অৰ্থাৎ স্মৃতিত ৰাখিছিল। এটা সময়ত মানুহে তথ্য কিছুমান স্থায়ী কৰিবলৈ লিপি (আখৰ) আৱিষ্কাৰ কৰিলে আৰু মাটিৰ ফলি, শিল, গুহাৰ বেৰ, সোণ -ৰূপ- তাম আদি ধাতুৰ ফলিত লিখি ৰাখিছিল। ক্ৰমে ভূৰ্জপত্ৰ, তালপাত, গছৰ বাকলি, পাত আদিত লিখাৰ কথা পোৱা যায়। ক্ৰমে মানুহে নিজৰ মনৰ ভাববোৰ প্ৰকাশ কৰিবলৈ লিখিবলৈ আৰম্ভ কৰিলে।

১০৫ খ্ৰীষ্টাব্দত চীনা পণ্ডিত লুনে প্ৰথমে কাগজ আৱিষ্কাৰ কৰিছিল বুলি জনা যায়। তাৰ পাছত জাপান, কোৰিয়া, ৰাছিয়া, আৰব আদি দেশত কাগজ তৈয়াৰ হয়। মায়া সভ্যতাৰ মানুহেহে প্ৰথমে কাগজৰ দ্বাৰা কিতাপ প্ৰস্তুত কৰিছিল বুলি জনা যায়। কিতাপ হ'ল মানৱৰ সকলোবোৰ আৱিষ্কাৰৰ ভিতৰত শ্ৰেষ্ঠ। মানুহে আৰ্জন কৰা জ্ঞান, অভিজ্ঞতা, অনুভৱ আদি সঞ্চয়ৰ স্থায়ী ব্যৱস্থাই হৈছে গ্ৰন্থ। সেয়ে সত্যনাথ বৰা দেৱে কৈ গৈছে " পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা"।

আকৌ কোনোৱে কয় " কিতাপ নোহোৱা ঘৰ দুৱাৰ - খিৰিকি নোহোৱা ঘৰৰ দৰে।" দুৱাৰ -খিৰিকিয়ে ঘৰটোক কি দিয়ে বাৰু! ৰ'দ বতাহ পোহৰ আদি সোমাই ঘৰটো স্বাস্থ্য উপযোগী কৰি তোলে। সেইদৰে কিতাপেও মনৰ আন্ধাৰবোৰ দূৰ কৰি জ্ঞানৰ পেট ভৰাই মানুহক জীৱ শ্ৰেষ্ঠ কৰি ৰাখিছে। আলবানিয়াত প্ৰচলিত এটা যোজনা আছে " যি পঢ়িব আৰু লিখিব পাৰে তাৰ চকু চাৰিটা"। এই যোজনাটিৰ পৰা আমি বুজি পোৱা কথাটি হ'ল গ্ৰন্থ অধ্যয়নে আমাৰ জ্ঞানৰ চকু মুকলি কৰি দিয়ে। সেয়ে আমি যিমান পাৰোঁ সময় অবাৰত খৰচ নকৰি গ্ৰন্থ সংগ্ৰহ বা কিনি সৰুৰে পৰা অধ্যয়নৰ অভ্যাস গঢ়ি তুলিব লাগে। লগতে সংৰক্ষণ কৰি ৰাখিবলৈ শিকিব লাগিব। বিশ্ব বিখ্যাত সাহিত্যিক হেনৰি ডেভিদ থাৰোৱে কৈছিল "কিতাপ হ'ল পৃথিৱীৰ সঞ্চিত সম্পদ, জাতি আৰু চামে চামে মানুহৰ উত্তৰাধিকাৰী সূত্ৰে লভা সম্পত্তি"। কিন্তু ধন সম্পত্তি চুৰ কৰাৰ দৰে জ্ঞান কোনেও চুৰ কৰি নিব নোৱাৰে। তাৰোপৰি জ্ঞান বিলালে বাঢ়িহে যায়। ধৰা তুমি জনা অংক এটা বন্ধু জনক বুজাই দিলে তোমাৰ সেই পাঠটোৰ ওপৰত জ্ঞান বাঢ়িহে যাব। সেয়ে আমি জনা কথা বন্ধু বান্ধৱৰ লগত ভাগ বতৰা কৰিব লাগে। আমি আমাৰ জ্ঞান বঢ়াবলৈ গ্ৰন্থ অধ্যয়ন কৰিব লাগিব। সৰুৰে পৰাই কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিব পাৰিলে ভৱিষ্যতে আমি কোনো দিনাই অকলশৰীয়া অনুভৱ নকৰোঁ। কিয়নো কিতাপৰ সমান ভাল, সৎ বন্ধু ক'তো বিচাৰি নাপাবা। আমি আমাৰ উপযোগী কিতাপ বাছনি কৰি ল'ব লাগিব। সকলো কিতাপ পঢ়ি আমি উপকৃত নহ'বও পাৰোঁ। আমাৰ পৰিসৰৰ ভিতৰত মহৎ লোকৰ জীৱনী, ঠাইৰ পৰিচয়, সাধুকথা, মহাকাশৰ কথা, শিশু গল্প - উপন্যাস, বিজ্ঞানীৰ ৰসাল কাহিনী আদিৰ উপৰি বহুতো শিশু উপযোগী গ্ৰন্থ আছে। বৰ্তমান গ্ৰন্থ মেলাৰ বতৰ। সেয়ে আমি গ্ৰন্থ মেলালৈ গৈ আমাৰ মনৰ পছন্দৰ গ্ৰন্থ কিনি আনি পঢ়াৰ অভ্যাস গঢ়ি তুলিব পাৰিম।

# আহ্নিকাঞ্জলি...

সংগীতা মাইনা ডেকা, ৰঙিয়া



তোমাক পাহৰিব খোজোঁ মই,
কলমৰ ভাষাবোৰ
নিৰৱে বুটলি বুটলি.....!
ৰ'দাল পথৰ তুমি নামৰ ছায়াই
পৰাণ জুৰাবলে অপাৰগ আছিল
সেয়ে জানা, ভাৱন বৰ্ষাই তিয়ালে হি মোক
ন কবিতা স্ৰজিবলে.....
চিঞাহীৰ তৰা হৈ জিলিকে এতিয়া দুওঁঠ....!
কলমেৰে বৈ আহে সেই আৱেগৰ নৈখন...!
নয়নে কৈ যোৱা কাহিনী,
কাব্যিক ফুল ৰূপে আহে নামি নামি
ডায়েৰীৰ পৃষ্ঠালে.....!
আজি কেৱল মই আৰু মইৰ মাজত "আহ্নিকাঞ্জলি"

# ENGLISH NEWS SECTION

## Assam Engineering College emerges champs in Red Ribbon Quiz 2022



Guwahati,RB News- The team from Assam Engineering College (AEC) emerged champions at the State- level Red Ribbon Quiz competition on HIV awareness that was held at Dispur College auditorium on December 1, 2022. The team from AEC comprised Arindam Kashyap Ray and Dishya Baishya secured a total score of 270, followed by the team from Gauhati Medical College, who were last year's champions of state-level Red Ribbon Quiz by securing a total score of 225. The team from Jorhat Engineering College were second runner-up in the competition. Teams from Dibrugarh University, Silchar Medical College and Fakhruddin Ali Ahmed Medical College, Barpeta received consolation prizes. The winning team will receive a cash prize of Rs 50,000/- along with trophy and certificate. Altogether eight teams vied for the Red Ribbon Quiz 2022 trophy. The other teams that participated in the competition include SCS College of Agriculture, Dhubri from lower Assam zone, Assam University (Diphu Campus) from the Barak Valley zone. In order to increase HIV awareness amongst the youth, every year Assam State AIDS Control Society (ASACS) organizes Red Ribbon Quiz amongst colleges and universities across Assam. The zonal level competitions were conducted through online mode on November 9 & 10, 2022 where the winners and the first runner up teams from the four zones qualified for the State- level competition. The winning team at the state-level competition will compete in the Regional level Red Ribbon Quiz competition which will be organized by National AIDS Control Organization (NACO) at Kohima, Nagaland on December 8, 2022 where teams from the states of the eastern region will participate.

## Dwayne Bravo retires from IPL



RB News- Dwayne Bravo, IPL's highest wicket-taker with 183 scalps, has announced his retirement from the league aged 39. He has been appointed CSK's bowling coach ahead of IPL 2023. "I'm looking forward to this new journey because it's something I see myself doing after my playing days are fully over," Bravo said. Bravo represented MI, GL and CSK in IPL.

## India's 18-yr-old Rudrankksh wins 10m Air Rifle gold at ISSF President's Cup



RB News- World champion shooter Rudrankksh Patil won the gold medal in men's 10m Air Rifle at the ongoing ISSF President's Cup in Cairo. The 18-year-old Indian defeated Danilo Sollazzo of Italy 16-8 in the gold medal match on Friday.

## SS Rajamouli wins Best Director award for 'RRR' at New York Film Critics Circle awards



RB News-Tollywood hitmaker S.S. Rajamouli has won the best director award from the New York Film Critics Circle (NYFCC) for his epic adventure film 'RRR', reports 'Variety'. The awards are seen as the bellwether for the upcoming Hollywood awards season. Although 'RRR' wasn't selected to represent India in the international feature category of the Academy Awards, Variance Films has mounted a substantial campaign to have the film recognised in the general categories, including best picture.

## Cameroon defeat Brazil



RB News- Cameroon have become the first-ever African country to defeat Brazil at FIFA World Cup. Cameroon beat Brazil 1-0 in their last 2022 FIFA World Cup Group G match at Lusail Stadium to achieve the feat. Striker Vincent Aboubakar scored the winning goal for Cameroon in the 92nd minute. Despite their win, Cameroon crashed out of 2022 FIFA World Cup.

## Assam Governor pays floral tributes to Dr Rajendra Prasad

Guwahati,RB News- On the occasion of the 138th birth anniversary of the First President of India Dr. Rajendra Prasad, Assam Governor Prof.Jagdish Mukhi along with the First Lady of Assam Smt.Prem Mukhi, officers and employees of Raj Bhavan paid floral tributes at the statue of Dr. Rajendra Prasad in Raj Bhavan. Speaking on the occasion the Governor recalled the instrumental role of Dr.Rajendra Prasad in India's freedom struggle and in framing the constitution. He also said that he was a source of inspiration to every citizen of this great nation and his distinguished contributions in nation building, his legal acumen and his noble ideals on democracy will continue to inspire the countrymen. Commissioner of Police, Guwahati, Harmeet Singh, Commissioner and Secretary to the Governor Meenakshi Sundaram and DC Kamrup Metro Pallav Gopal Jha also paid their tributes at the event.

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025
১৭ আঘোণ ১৪২৯ চন Rongili Barta, Date of Publication--4 December,2022

# মানৱ অধিকাৰ দিৱস

নাই, এই গৰাকী নাৰীক কিমান বিশ্বাস কৰি এদিন মোৰ লৰা ছোৱালী হালক গতাই মুকলি মনেৰে ফুৰি ফুৰিছিলোঁ।খলিল জিব্রানৰ, “প্ৰফেটত” এটা বাক্য আছে, “তোমাৰ মাজত যিটো সবাতোকৈ দুৰ্বল বিমূঢ় যেন লাগে, সেয়ে সবাতোকৈ সবল আৰু দৃঢ় ” কাৰবাৰ পঢ়িছিলোঁ,“ মানুহৰ জীৱন যেতিয়া সম্পূৰ্ণ স্বচ্ছন্দ আৰু আৰাম পূৰ্ণ হয়, নতুনকৈ বিচাৰিবলৈ বা পাবলৈ তেওঁৰ একোৱেই বাকী নাথাকে, তেতিয়া মানুহ হয় চৰম বিমৰ্ষ” হয় মোৰ দৰে। আজি মই মিছা মুখা পিন্ধি সুখী হোৱাৰ ভাও লৈছো, এইয়া যে বঞ্চনা। কিন্তু বাঙ্গ প্ৰকৃত সুখী নাৰী। কিয়নো ৰাছেল কৈ যোৱা এষাৰ মধুৰবাণী হল, “তুমি বিচৰা সকলো বস্তু নোপোৱাটো হল সুখৰ অনুভৱ” মোৰ বাঙ্গৰ স্বাধীনচিতীয়া, নিৰ্ভীক ব্যক্তিত্বক স্বাগতম জনাওঁ, বাঙ্গ মোৰ প্ৰিয় নাৰী। এই নাৰী বাই-ভনী, মা-মাহী, এক শক্তিদায়িনী যি দিছে জীয়াই থকাৰ আৰু জীৱনক ভাল পোৱাৰ প্ৰেৰণা। কিতাপ পঢ়িব নজনা বাঙ্গয়ে মোৰ মুখৰ দুখ, সুখ পঢ়িবলৈ এক মিনিট ও নালাগে, কিন্তু বাঙ্গৰ যন্ত্ৰণা আৰু বঞ্চনাৰ ইতিহাস কবলৈ বাঙ্গক কেতিয়াও মই সময় সুযোগ দিয়া নাই, কাৰণ মই অভিজাত আধুনিকা নাৰী। ভাবি ঈৰ্ষা হয়, বাঙ্গ কিয় হাস্যময়ী, চঞ্চলা, প্ৰিয়ভাষিনী আৰু আশাবাদী। কেতিয়াবা বাঙ্গয়ে এগৰাকী স্কলাৰৰ দৰে যুক্তি দি জীৱন বোধৰ পাঠ শিকাই যিবোৰ মই কোনো মহান গ্ৰন্থত অধ্যয়ন কৰা মনত নপৰে, হয়তো এইয়া বাঙ্গক জীৱন আৰু সময়ে শিকোৱা পাঠ। কেতিয়াবা তাইক মোৰ আইতামা ৰ দৰে লাগে বাঙ্গয়ে গভীৰ প্ৰেম আৰু মমতাৰে নৰিয়া দেহাটো মোৰ নহৰু মিঠা তেল গৰম কৰি প্ৰতিপাল কৰে । ভাব হয় এই বাঙ্গজনী বাৰু বুদ্ধৰ “মাতৃ গৌতমী নেকি। বাঙ্গৰ দৰে নাৰীৰ সমবেদনা আৰু সহানুভূতিৰ এনাজৰীয়ে মানুহ জাতিক জীয়াই ৰাখিছে। বাঙ্গয়ে অভিজ্ঞতা ৰ পৰা উদ্ধাৰ কৰিছে জীৱনৰ জীৱন্ত ভাস্কৰ্য, এই নাৰী কেৱল নাৰী নহয় দেৱী। সবজান্ত হৈ মই ইমান দিন ৰাইজক মানৱ অধিকাৰ দিৱস, নাৰী দিবস, নাৰী সৱলীকৰণ কথা কৈ কেৱল ভোজ-ভাত খোৱাৰ বাহিৰে একো নকৰিলো, আজি নিজকে কিবা অপৰাধ বোধে আমনি কৰিছে ।

ভদ্ৰ সমাজৰ লগত একাকাৰ হৈ মিলি থাকো । সমগ্ৰ জগত ভ্ৰমিজ্ঞান বিলাই ঘূৰি ফুৰা অভিজাত নাৰীক জীৱনৰ দীক্ষা দিব পাৰে এই বাঙ্গৰ জনীয়ে ।গীতাত অৰ্জুনে কৃষ্ণক “বিহ” কি বুলি সোধোতে কৃষ্ণই কৈছে, “প্ৰয়োজনত কৈ বেছি সকলো বিহ” আমি ভোগবাদী সমাজখনত খোজ থৈ পাহৰি গৈছো, প্ৰয়োজন কি, বিজ্ঞাপনে আমাক দৌৰাইছে আমি উচিত অনুচিত বিচাৰ নকৰাকৈ দৌৰি আছো, মানৱীয় মূল্যবোধ, নাৰীত্ব, মমতা, দয়া, কৃপা, প্ৰেম কৰুণা এই সকলোবোৰ বাঙ্গৰ ওচৰত আছে ও থাকিব ।আমি ক্লান্ত হৈ পৰাৰ আগতে, হৃদয়ক মূল্য দিয়া নাৰীৰ ওচৰত ক্ষন্তেক জিৰণি লওঁ। সমাজ এখনৰ সাৰ্বিক সুস্থ বিকাশ, সামাজিক সুস্থিৰতা আৰু উজ্জ্বল ভৱিষ্যতৰ বাবে পুৰুষ নাৰী সমন্বিত ভূমিকা যি দৰে অপৰিহাৰ্য চৰ্ত, সেইদৰে নাৰী আৰু নাৰীৰ মাজত সহযোগিতা, বুজাবুজি নিতান্তই প্ৰয়োজন, এই বাঙ্গ ফুলৰ দৰে সৌন্দয্য আৰু সুবাসেৰে পূৰ্ণ, পৃথিৱীৰ দৰে সহনশীল, সূৰ্যৰ দৰে তেজস্বী, চন্দ্ৰ ৰ দৰে শীতল, সমুদ্ৰৰ দৰে গভীৰ আৰু অভিজ্ঞতাক বুকুত বান্ধি আমাৰ ঘৰে ঘৰে বন কৰি আমাৰ জীৱন ধন্য কৰে। প্ৰাৰ্থনা সকলো গৰাকী বাঙ্গ সুখী ও শান্তিত থাকক। সুন্দৰ হওঁক বাঙ্গ প্ৰতি দিন প্ৰতি সময়।

ওপৰত উল্লেখিত কাহিনী ভাগ আপুনি মই লগ পায় থকা আধুনিক নাৰী চৰিত্ৰৰ এক ৰূপ। আমি বিভিন্ন সময়ত ভিন্ন দিৱস পালন কৰিছো, কিন্তু প্ৰকৃত বাস্তৱৰ পৃথিৱী খনত এজন বেলেগ মানুহ হৈছো, অধিকাৰ, স্বাধীনতা, ন্যায়, সমতাএই ধাৰণা সমূহ আমাৰ মন মগজুৰ উৎস, প্ৰতিদিন পুৱা লগ পোৱা চাফাই কৰ্মী, বাতৰি কাকত দি যোৱা লৰাজন, পাচলি বিক্ৰী কৰা ককাজন, ফল মূলৰ দোকানৰ ভাইজন, কাৰ্যলয়ৰ ককাইদেউ জন, আপুনি, , নাপিত, মুচীজন, কুমাৰ, কমাৰ, ৰিক্সাছালক, মাংস বিক্ৰী কৰা তিৰোতা গৰাকী সকলোৰে আত্ম সন্মান আছে, পুৰুষে নাৰীক সন্মান কৰাৰ লগতে, নাৰীয়ে ও নাৰীক সন্মান কৰিব লাগিব, অধিকাৰ, স্বাধীতা আছে, হবহাউচ (Hobhause) ৰ মতে, “ আমি আনৰ পৰা যি আশা কৰো আৰু আনে ও আমাৰ পৰা যি আশা কৰে সেয়াই হৈছে অধিকাৰ আৰু সকলো প্ৰকৃত অধিকাৰ ই হৈছে সমাজ কল্যাণৰ চৰ্ত”।

**(প্ৰবন্ধটো ১০ ডিচেম্বৰ “মানৱ অধিকাৰ দিৱস” উদ্দেশ্যে ৰাখি প্ৰস্তুত কৰা হৈছে ।)**

## Photography of the Week



**Rinky Das**




## Art of the Week



“ক’ৰবাত ৰিণি ৰিণি বাজি থাকে বাঁহীৰ দৰে সুৰ কাঞ্চন
আৰু আজিও সেই সুৰত নাচি থাকে বৃদ্ধ বৃন্দাবন!!”

**ছবি আৰু শব্দ: সংগীতা বৰুৱা। গুৱাহাটী**

**#Beauty of the Week, #Art of the Week** আৰু **# Photography of the Week** লৈ আপোনালোকৰ ফটোবোৰ আমালৈ **E-mail** যোগে প্ৰেৰণ কৰক
**E-mail-**
**rongilibartamedhi@gmail.com**
**Whatsapp - 9854215286**

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286